চান্দমামা

মার্চ ১৯৮৯





A SUPER BARGAIN

A SUPER BARGAIN FOR OUR FIRST SUBSCRIBERS!

A Whole year's JUNIOR QUEST for Rs**50**- only

HURRY NOW and Send Your
Money Order / Postal Order / Demand Draft
to M/s. DOLTON AGENCIES
CHANDAMAMA BUILDINGS
VADAPALANI
MADRAS 600 026



ফেৰেক্স® খাই দোপত দোপে বাঢ়ি মোৱাৰ সোৱাদভৰা উপায় !

আপোনাৰ সন্তানৰ উচ্চতা আৰু ওজন জুখি চাওক*	শিশু (লৰা)		শিশু (ছোৱালী)	
	ওজন	উচ্চতা	ওজন	উচ্চতা
৩ মাহত	৫.২ কিলো	৫৯.১ চে.মি.	৪.৯ কিলো	৫৮.৪ চে.মি.
৬ মাহত	৬.৭ কিলো	৬৪.৭ চে.মি.	৬.১ কিলো	৬৩.৭ চে.মি.
৯ মাহত	৭.৩ কিলো	৬৮.২ চে.মি.	৬.৯ কিলো	৬৭.০ চে.মি.
১২ মাহত	৮.৪ কিলো	৭৩.৯ চে.মি.	৭.৮ কিলো	৭২.৫ চে.মি.

* ইণ্ডিয়ান কাউন্সিল অব মেডিকেল ৰিছাৰ্চ দ্বাৰা প্ৰকাশিত।
ভাৰতীয় শিশুৰ এয়া গড়ানুপাতিক তালিকা। আপোনাৰ সন্তানৰ গঢ়ন-বাঢ়ন চাই ডাক্তৰ সন্তুষ্ট হলে আপোনাৰ চিন্তাৰ কোনো কাৰণ নাথাকে।

শিশুৰ যত্ন সম্বন্ধীয় আপোনাৰ বিনামূলীয়া পুস্তিকাৰ কাৰণে এই ঠিকনালৈ লিখক : গ্লিণ্ডিয়া লি. (FPD/255) ডঃ এনি বেচান্ত ৰোদ, ৱৰ্লি, বোম্বাই-৪০০ ০২৫।



আপোনাৰ সন্তানৰ পৰিপূৰ্ণ বিকাশ আৰু গঢ়ন-বাঢ়নৰ কাৰণে খুৰাওক পৰিপুষ্টিৰে ভৰপুৰ ফেৰেক্স।

ফেৰেক্স®
গঢ়ন-বাঢ়নৰ কাৰণে সোৱাদভৰা উপায়

26/203 ASM

শ্ৰী গৌতম গোস্বামী
৭/৩/৮৯

চান্দমামা

মাৰ্চ ১৯৮৯

এই সংখ্যাত আছে

অমৰ-বাণী	:	৭	নেহৰু-উপাখ্যান	:	৩৫
সম্বাদ-বি-সম্বাদ	:	৯	ম'ৰা আৰু ঘন-চিৰিকা	:	৩৯
ধৰ্ম-কৰ্ম	:	১০	কৃষ্ণাৱতাৰ	:	৪৩
হাৰিও জিকিব পাৰি	:	১১	আই-ঔ	:	৫১
দৃষ্টি-কাজল	:	১৬	ভালে ভালক জাবৰে	:	৫৫
পঞ্চপ্ৰশ্ন	:	১৯	যুক্তিৰে মুক্তি	:	৫৭
বগৰী বোটলা বিদ্যা	:	২৭	নগদ শিকনি	:	৬০
দানৱ গৰুৰ দাঁত	:	৩৩	প্ৰকৃতিৰ বিস্ময়	:	৬৩

চান্দমামা

খনে : ৩·০০ টকা মাথোন

বছৰেকীয়া বৰঙণি

৩৬·০০ টকা মাথোন

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

ভাৰতৰ অন্যান্য ৰাজ্যতে বা ভাৰতৰ বাহিৰতো প্ৰবস্থবা হৈ থকা আপোনাৰ একান্ত আত্মজনলৈ আপুনি যদি নিয়মীয়াকৈ চান্দমামা উপহাৰ হিচাপে পঠাবলৈ বিচাৰে, মাদ্ৰাজৰ ঠিকনালৈ অনুগ্ৰহ কৰি আমাক প্ৰবস্থবাজনৰ ঠিকনা জনাওক। ভাৰতত বৰঙণিৰ হাৰ বছৰেকত ৩৬.০০ আৰু অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া, শ্ৰীলংকা আদি দেশলৈ জাহাজ যোগে বছৰেকীয়া বৰঙণি ৭৫.০০ আৰু উৰা জাহাজ যোগে ১৫০.০০ টকা। ফ্ৰান্স, ইংলেণ্ড, আমেৰিকা আৰু পশ্চিম জাৰ্মানিলৈ জাহাজ যোগে বছৰেকত ৮১.০০ টকা আৰু উৰাজাহাজ যোগে বছৰি ১৫০.০০ টকা মাথোন।

অমৰ-বাণী

বিৰলা জানন্তি গুণাম্ বিৰলাঃ কুৰ্বন্তি নিৰ্দ্ধনস্নেহম্।
বিৰলা ৰণেষু ধীৰাঃ পৰদুঃখেনাপি দুঃখিতা বিৰলাঃ।

[আনৰ সদ্‌গুণলৈ লক্ষ্য কৰাৰ, দুখীয়ালৈ মৰম কৰাৰ, যুদ্ধকালত সাহস যোগোৱাৰ আৰু আনৰ দুঃখত দুঃখবোধ কৰাৰ দৰে প্ৰকৃত উদাৰচিতীয়া মানুহ তেনেই বিৰল।]

বছৰ : ১৩ মাৰ্চ ১৯৮৯ সংখ্যা : ১২

খনে : ৩.০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬.০০ টকা

The Adventures of GEMS BOND
MEET THE MOST EXCITING HERO OF THEM ALL... GEMS BOND!
MY NAME IS BOND... GEMS BOND
GEMS BOND THINKS HE'S ON A SIMPLE MISSION THIS TIME: ALL HE HAS TO DO IS TAKE PROF. MATHEMAGIC AND HIS SECRET FORMULA TO HEADQUARTERS.
BUT, UNKNOWN TO BOTH OF THEM, THE DREADED BLACK COBRA GANG IS AROUND THE CORNER — AND WAITING TO STRIKE!
LET'S GET HIM!
IF THE PROF'S FORMULA FALLS INTO THE WRONG HANDS, THE FUTURE OF THE WORLD COULD BE AT STAKE!
WE'RE BEING FOLLOWED!
WE MUST SAVE THE SECRET FORMULA!
GEMS BOND STEPS ON THE ACCELERATOR OF HIS GEMSMOBILE —
BUT THE VILLAINS ARE CATCHING UP!
GEMS BOND IS IN CONTROL: IT'S TIME FOR HIM TO PRESS THE GEMS BUTTON!
DON'T WORRY PROF!
THE GEMSMOBILE RELEASES A FLOOD OF GEMS, TAKING THE VILLAINS BY SURPRISE!
THE VILLAINS' CAR GOES OUT OF CONTROL ... AND GEMS BOND SCORES OVER THE BLACK COBRA GANG AGAIN. THE FORMULA IS SAVED!
CRASH
AND SO GEMS BOND IS READY TO FACE HIS NEXT ADVENTURE. THE EXCITEMENT CONTINUES...
Cadbury's GEMS
Cadbury's GEMS
Non-stop excitement!
OBM/3617

চান্দমামাৰ সম্বাদ-বি-সম্বাদ

টোপনি-জীপনী

ছাইবেৰিয়াৰ সোণৰ খনি-বস্তুৰাইতে টোপনিত লাল-কাল দি থকা 'লিমবিডে' নামৰ জন্তু এটা দেখা পালে। এই জন্তুটো বোলা ২০ বছৰ ধৰিয়ে একেৰাহে টোপনিয়াই আছিল। লিমবিডে সাধাৰণতঃ দহ বছৰলৈকে জীয়াই থাকে। কিন্তু ই প্ৰায় এশতিকা কাল কেৱল টোপনিয়ায়েই পাৰ কৰি দিলে! ইয়াক যেতিয়া পানীত এৰি দিয়া হ'ল তেতিয়াহে স্বাভাৱিক তাপমাত্ৰাত সাৰ পাই গ'ল!

টলস্টয়ৰ কণ্ঠস্বৰ

বহু কালৰ আগতেই হেৰাই যোৱা লিঅ' টলস্টয়ৰ কণ্ঠস্বৰ, যিকণ্ঠস্বৰ ১৯০৮ চনত ফ'ন'গ্ৰাফ আৱিষ্কাৰক স্বয়ং টমাচ আলভা এডিছনে ৰেকৰ্ড কৰিছিল, ছোভিয়েত ইউনিয়নলৈ ঘূৰাই পঠোৱা হৈছে। এই ৰেকৰ্ডিংখিনি, তেতিয়া যি স্টুডি'ত ৰেকৰ্ড হৈছিল, সেই স্টুডিঅ'ৰ মেনেজাৰ ওৱাল্টাৰ মিলাৰৰ ঘৰত আৱিষ্কৃত হৈছে। আমেৰিকাৰ এডিছন চেণ্টাৰত ১৯১৪ চনত হোৱা বিধ্বংসী অগ্নিকাণ্ডত টলস্টয়ৰ কণ্ঠস্বৰৰ ৰেকৰ্ডিংখিনিও ভস্মীভূত হোৱা বুলি ইমান কাল ধৰি ভবা হৈছিল!



হস্তী আৰু মানুহ

মাৰ্ক খাণ্ড নামৰ ইংলেণ্ডৰ ভ্ৰমণকাহিনী লেখকে হাতীৰ পিঠিত উঠি ওড়িশাৰ কোনাৰকৰপৰা ১০০০ মাইল দূৰৱৰ্তী বিহাৰৰ শোনপুৰলৈকে ভ্ৰমণ কৰিছিল। হাতীৰ সৈতে মানুহৰ সম্পৰ্ক, মাউতইতে হাতীক কেনেকৈ চলায় ইত্যাদি কথা খৰচি মাৰি জানিবলৈহে মাৰ্ক খাণ্ডে এনে অভিনৱ ভ্ৰমণলৈ ওলাইছিল!

ৰহস্যৰ আঁৰপট নুটিবনে?

ইটালিৰ তুৰিন নগৰৰ এটি গিৰ্জাত এখন শ-ঢকা কাপোৰ আছে, যি কাপোৰেৰে ক্ৰুছবিদ্ধ যিশুখৃষ্টৰ মৃতদেহ ঢাকি থোৱা হৈছিল বুলি কোৱা হয়। এই শ ঢকা কাপোৰখনত তেজৰ দাগো নথকা নহয়। কিন্তু তিনিখন বিশ্ববিদ্যালয়ত সম্প্ৰতি লেবৰেটৰিত পৰীক্ষা-নিৰীক্ষা কৰি কোৱা হৈছে যে, এই শ-ঢকা কাপোৰ ১৩ শতিকাতকৈ আগৰ হ'ব নোৱাৰে। তেনেহ'লে—প্ৰশ্ন হ'ল—এই তেজ কাৰ তেজ?

ধৰ্ম্ম-কৰ্ম্ম

শিৱনগৰ গাঁৱৰ পণ্ডিত ধৰ্মানন্দৰ পৰিবাৰ তাৰিণী আছিল অতি কৃপণ স্বভাৱৰ। কিন্তু পুণ্য আৰ্জিবলৈ তাৰিণীৰ ইমান যে ৰাপ! অৱশ্যে পইচা-পাতি বিনে পুণ্য।

এদিন বাঢ়নী বেচিবলৈ এজনী বুঢ়ী ওলাই তাৰিণীৰ ঘৰৰ সমুখেদি গৈ থাকোঁতে তাৰিণীয়ে বুঢ়ীক সুধিলে, "তোমাক এখন সাড়ী দিম, তাৰ সলনি কিমান বাঢ়নী দিবা?"

"দুখন দিম।"

"কি ক'লা? —এখন সাড়ীৰ পৰিৱৰ্তে মুঠেই দুখন বাঢ়নী? নালাগে বাৰু, গৈ থাকা তুমি। মই বৰঞ্চ কোনোবাজনী দুখুনীক সাড়ীখন দি পুণ্যকে আৰ্জিম। বাৰু শুনা, এটকাতনো কিমান বাঢ়নী দিয়া?"

"চাৰিখন।"

তাৰিণীয়ে বুঢ়ীক টকা এটা দিলে আৰু চাৰিখন বাঢ়নী ল'লে।

বাঢ়নী বেচি গুচি যোৱাৰ সময়ত বুঢ়ীয়ে টকাটোৰ লৈতে সেই সাড়ীখনো লৈ যাবলৈ ধৰিলে।

তাৰিণীয়ে ততাতৈয়াকৈ কৈ উঠিল, "তুমি সাড়ীখন কিয় লৈ গৈছা? বাঢ়নীৰ দাম দিলোঁৱেই নহয় তোমাক?"

বুঢ়ীয়ে হাঁহি মাৰি ক'লে, "চাওক, আপুনি সাড়ীখন কোনোবাজনী দুখুনীক দি পুণ্য আৰ্জিব বুলি কৈছিল। ময়ো দুখুনীয়েই, নহ'লেনো মূৰৰ ওপৰ বাঢ়নী লৈ ফুৰিম কিয়? মোৰো কাম হ'ব, আপোনাৰো পুণ্য হ'ব। ধৰ্ম-কৰ্ম একেলগেই হ'ব। আৰুনো কি লাগিছে?"

পণ্ডিত ধৰ্মানন্দই ভেবা লগা পৰিবাৰলৈ চাই সোলা মুখেৰে সে সেকৈ হাঁহি থাকিল।

হাৰিও জিকিব পাৰি

শেওৰা হুপতীয়া নৌওঁতেই যখিনীয়ে বাহ ল'লে। নহ'লেনো সি বিয়াখন নকৰাব কেলে'? ককাক ৰামনাথ হালোৱাই তেওঁৰ নাতিয়েক মহেশৰ হাবি-জাবি কাণ্ড দেখি ভাবিলে আৰু তাক ক'লে, "বোলোঁ ঐ মহেশটো, তেনেহ'লে তই গোটেই জীৱন ধৰি বৰলাভাতেই খাবিনে কি? আন নহ'লেও—তোৰ মাৰক বুঢ়ী বয়সত সহায়-তহায় কৰাৰ বাবেও তো ঘৰত লখিমী এজনী আনিব লাগে। আৰু—মই কওঁ, হাতৰ লক্ষ্মী ভৰিৰে নেঠেলিবি। তোক শুনিলোঁ বোলে যাচিছেহে কোনোবাই, যদি যাচিছে, ল, লৈ সুখেৰে কাল কটা।"

ঠিক এনে সময়তে চুবুৰীয়া গাঁৱৰ গুৰুদাস ওলালহি। গুৰুদাস হ'ল ৰামনাথৰ সৰুকালৰ বন্ধু। গুৰুদাসক ৰামনাথে কথাই কথাই ক'লে তেওঁৰ নাতিয়েক মহেশে একোপধ্যে বিয়া নকৰোৱাৰ কথা। ছোৱালী হেনো তাৰ পছনেই নহয় আৰু যে সি—। সি হ'ল চিলৰ পানী বিলত ঢলাবিধৰ। কি যে কৰোঁ মই—ভাবিকে পোৱা নাই।"

গুৰুদাসে ক'লে, "মোৰো—অলপ দূৰ সম্পৰ্কীয়নাতিনীয়েৰ এজনী আছে। দেখাই-মেলায়ো ভাল,—ভাল গুণ-বুদ্ধিতো। আৰু যে তাইৰ উপস্থিত বুদ্ধি। তাইৰ উপস্থিত বুদ্ধিৰ তো আমি তুলনায়েই বিচাৰি নাপাওঁ। তোমাৰ মহেশৰ লগত যোৰাও মিলিব বৰ, আৰু আমিবোৰ কি বোলেনে—অচিন কাঠৰ থোৰা তো নহওঁ—যে লাগিব আমাৰ আইধৰ-বাইধৰ। গ:িকে—



তোমাৰ মনে আঁঠু কঢ়া মহেশৰ সৈতে আমাৰ গৌৰীজনীক সাঙোৰাৰ চেষ্টা এটা দিয়া যাওকেই। কি কোৱা?”

তাৰ পাছত এদিন ককাক ৰামনাথৰ নেৰানেপেৰা অনুৰোধ এৰাব নোৱাৰি বাধ্যত পৰি মহেশ গ'ল গুৰুদাসৰ ককাকৰ গাঁৱলৈ, গৌৰীজনীক চাবলৈ।

মহেশকে আথে-বেথে বহুৱাই, গৌৰীক মতাই আনাই গুৰুদাসে গৌৰীক মহেশৰ আগত বহুৱাই ক'লে, “গৌৰী, এওঁ হ'ল আমাৰ বন্ধু ৰামনাথৰ নাতিয়েৰ। এওঁৰ নাম মহেশ। মোৰ বন্ধু ৰামনাথৰ দৃঢ় ধাৰণা, যে তেওঁৰ এইটি নাতিয়েৰৰ সমান বুদ্ধিমন্ত ক'তো কোনো নাই-নোলাব। মহেশ বুদ্ধিমান — হয়; কিন্তু তুমিও আঁকৰীজনী নহয়, তুমিও যে আঠুৱা চাই ঠেং মেলিব জানা, সেই কথা মহেশেও জানক আৰু মানক — ইমানেই মোক লাগে। অৱশ্যে—সেই বুলি মই মহেশক কিবা ধৰণৰ ফান্দত পেলাবলৈ কোৱা নাই, বা ফাংবাজী মাৰিবলৈকো কোৱা নাই, বা ঠাট্টুৰিও নামাৰা। কেৱল— ঠিক চাই টোকোন পাতিলেই হ'ল। ইমানকে লাগে। এতিয়া মোৰ মুখ ৰক্ষাৰ দায়-দায়িত্ব তোমাৰ।”

ককাকৰ কথাখিনি শুনি গৌৰীজনী যিমানেই ভাল পাওক বা নাপাওক, তাইৰ লাজ লাগিছিল বৰ। তাই লাজত ৰঙা পৰিল। গৌৰী — চালে চকু বৈ যোৱা বিধৰ নহ'লেও—তাইৰ বুদ্ধিদীপ্ত মুখখন বাস্তৱিকতেই ধুনীয়া।

গৌৰীলৈ চাই মহেশৰো ধাৰণা হ'ল: গৌৰীজনী কিজানি বাস্তৱিকতেই বেলেগ ধৰণৰ ছোৱালী। যদিও—এনে ধাৰণাৰ গুৰিত ব্যাখ্যা বিচাৰি পাবলৈ নাই, তথাপি ধাৰণাটো হ'ল তাৰ। আৰু এই ধাৰণাই তাৰ মগজুৰপৰা মনলৈকো শিপালে। সি নতুন দৃষ্টিৰে গৌৰীলৈ চালে।।

মহেশে মিচিকীয়াই হাঁহি ক'লে

গৌৰীক, "মোৰ পিয়াহ লাগিছে বৰ। কোনো কুঁৱা বা নাদৰপৰা নোতোলা, আৰু মানুহে চুকি নোপোৱা মিঠা মিঠা পানী খুৱাব পাৰিবা ?"

গৌৰীয়ে মিঠাকৈ হাঁহিৰে মুখখন উজলাই ক'লে, "পাৰিম। এতিয়াই আনি দিছোঁ বাৰু। মিঠা পানীকে দিম, পানীৰ মিঠৈ নিদিওঁ। পিছে— যেনেকৈ লৈ আহিম তেনেকৈয়েই খাবনে আন মানুহে যেনেকৈ খায়, তেনেকৈ, পি-খাব?"

"নহয়, যেনেকৈ আনিবা তেনেকৈ খাব নোৱাৰিম। অন্ততঃপক্ষে — লোটা এটাত ভৰাই লৈ আহিব লাগিব।" মহেশে আলোলৌৱা গৌৰীক ক'লে।

আৰু মহেশে ভাবিলে : এইজনীও দেখিছোঁ কম নহয়! একেবাৰে তেৰেৰে!

গৌৰীয়ে লোটা এটাত নাৰিকলৰ পানী ভৰাই লৈ আহিল।

গুৰুদাসে মহেশক সুধিলে, "এনেকুৱা পানী খাবা বুলি ভাবিছিলানে?"

পানীখিনিলৈ চায়েই মহেশে বুজি পালে যে—সি কোৱামতেই গৌৰীয়ে কামটো কৰিব পাৰিছে। মহেশে ভালেই পালে গৌৰীৰ কামত।

তেতিয়া মহেশে গুৰুদাসক ক'লে, "অৰ্ধমৃত আৰু পূৰ্ণমৃতইতৰ বাৰে কোননো সুখেৰে জীয়াই থাকিব পাৰে? মই এই প্ৰশ্ন আপোনাৰ নাতিনীয়েৰকে কৰিছোঁ।"



হৈ গুৰুদাসে মহেশক ক'লে, "মোৰ নাতিনীয়েজনীৰ যে আঁকৰীজনী নহয়—এতিয়া বুজি পালানে বাৰু?"

মহেশে ক'লে- "প্ৰশ্ন মোৰ আৰু আছে। গৌৰীক সুধিছোঁ। মোৰ প্ৰথম প্ৰশ্ন হ'ল—বস্তুটো কেনেকুৱা, যি-বস্তুৰ সেৱা কৰিলে জীৱন যাপন কৰিব পাৰি। দ্বিতীয় প্ৰশ্ন হ'ল — এনেকুৱা কি বস্তু আছে—যি বস্তু নথকা হ'লে ধোবা ঘৰলৈ নাহে? তৃতীয় আৰু চতুৰ্থ বস্তু নথকা হ'লে মানুহ জীয়াই থাকিব নোৱাৰে, আৰু পঞ্চমটো হ'ল সীমা নথকা অনন্ত।"

গৌৰীয়ে মিঠা মিঠাকৈ হাঁহি মূৰ জোকাৰি জোকাৰি ক'লে, "এইবোৰ প্ৰশ্নৰ উত্তৰ মই দিব নোৱাৰিম। মোৰৰ অসাধ্য।"

নিজক বিজয়ী বুলি ভাবি মহেশে গৰ্বৰে সৈতে ক'লে, "যিমান যিয়েই নহওক—মই যে মোৰ ককাৰ মান-সন্মান বজায় ৰাখিব, পাৰিলোঁ। এয়ে যথেষ্ট।"

মহেশৰ কথাৰ কি উত্তৰ দিব, গুৰুদাসে ঠাৱৰ কৰিব নোৱাৰিলে।

খন্তেকমানৰ পাছত গুৰুদাসে মহেশক ক'লে, "চোৱা বোপা, তোমাৰ প্ৰশ্নৰ ৰহস্য কি—মই ঠাৱৰ কৰিব পৰা নাই।" গৌৰীয়ে যেনেকৈ উত্তৰ দিব পাৰে, তেনেকৈ উত্তৰ দিয়াৰ ক্ষমতাও মোৰ নাই।"

এই কথা শুনি গৌৰীয়ে হাঁহি হাঁহিয়েই ক'লে, "আপোনাৰ প্ৰশ্নৰ উত্তৰ মই দিম। পিছে—সুখী মানুহ আপোনালোকৰ ঘৰলৈ কিমান দিনৰ বাদে বাদে এবাৰকৈ আহে কওকচোন?"

মহেশে বিৰক্তিৰে ক'লে, "তেনেকুৱা মানুহ আমাৰ ঘৰলৈ কোনোদিনে নাহে।"

"ভাল। ৰক্ষা! তেনেহ'লে শুনক, অৰ্ধমৃত হ'ল কেঁচু। আৰু অৰ্ধমৃত কেঁচুক গিলি খাই মাছ পূৰ্ণমৃত হয়। আৰু সেই পূৰ্ণমৃত মাছ বেচি মাছমৰীয়াই সুখেৰে জীয়ে।" গৌৰীয়ে ক'লে।

নাতিনীয়েকৰ উত্তৰ শুনি আনন্দিত

মহেশে ক'লে, চাওক, গৌৰীজনীক মই যে বিয়া কৰাম, সেই বিষয়ত আপুনি নিঃচিন্ত হৈ থাকিব পাৰে।"

আৰু—এই ঘটনাৰ এমাহমানৰ অন্তত মহেশৰ লগত গৌৰীৰ বিয়াখন হৈ গ'ল।

বিয়া হোৱাৰ পাছত এনিশা গৌৰীয়ে মহেশক ক'লে, "তোমাক কথা এটা কওঁনে ?"

মহেশে ক'লে, "কি ? কোৱা।"

"মোক যে পাঁচটা প্ৰশ্ন সুধিছিলা, সেই প্ৰশ্নৰ পাঁচটাৰ উত্তৰ মই জানিও তেতিয়া দিয়া নাছিলোঁ।"

কিয় ?" অবাক হৈ মহেশে সুধিলে।

"কিয়নো—" গৌৰীয়ে ক'লে, "তেতিয়া সেই প্ৰশ্ন পাঁচটাৰ উত্তৰ দিয়াহেঁতেন তোমাক বিজয়ী কৰিব নোৱাৰিলোহেঁতেন। এতিয়া সেই পাঁচোটা প্ৰশ্নৰ উত্তৰ দিওঁ। তোমাৰ প্ৰথম প্ৰশ্নৰ উত্তৰ হ'ল—ভূমি, মাটি। মাটিক সেৱিলে শস্য ওপজে, শস্য উপজিলে জীৱন সুখকৰ হয়। দ্বিতীয়টোৰ উত্তৰ হ'ল—পানী। পানী নাথাকিলে ধোৱা ঘৰলৈ নাহিব। তৃতীয় আৰু চতুৰ্থ হ'ল জুই আৰু বতাহ। জুই বিনে জীৱন অচল, বতাহ বিনে বাঁচিবৰ উপায় নাই। আৰু—পঞ্চম প্ৰশ্নৰ উত্তৰ হ'ল আকাশ। আকাশৰ কোনো সীমা নাই।"

উত্তৰ শুনি চকু ঢেলুকা-ঢেলুক হৈ পৰা মহেশে সুধিলে, "সিদিনা তেন্তে—জানিও কোৱা নাছিলা কিয় ?"

"মোৰ ওচৰত বেয়াকৈ হাৰিলে তো মোক বিয়া নকৰালাহেঁতেন !" গৌৰীয়ে হাঁহি হাঁহি মহেশক ক'লে।

"তেনেহ'লে আচলতে দেখিছোঁ মইহে হাৰিলোঁ।" মহেশে ক'লে।

"চোৱা—আচলতে তুমি হাৰিলাইনে হাৰিও জিকিলা — তাৰ হিচাপ নিজে নিজেই কৰি থাকাঁ।" গৌৰীয়ে হাঁহি হাঁহি দুষ্টালিৰে ক'লে। O





দৃষ্টি-কাজল

বিশ্বনাথবৈদ্য আছিল নাম-ডাক থকা কবিৰাজ। বিশ্বনাথবৈদ্যৰ ৰোগৰ বিষয়ে জ্ঞান আৰু ৰোগীৰ সম্পৰ্কে আন্তৰিকতাৰ কথা দহোৰাইজৰ মুখে মুখে। কবিৰাজী দৰব-পাতি লৈ তেওঁৰ গৱেষণাও প্ৰচুৰ।

এদিন বিশ্বনাথবৈদ্য হঠাৎ তেওঁৰ পূৰ্ব-পুৰুষে লিখি থৈ যোৱা তালপাতৰ পুথিত 'দৃষ্টি-কাজল' শব্দষাৰ চাই কৌতূহলী হৈ সেই তালপাতখিনি পঢ়িলে। তাত লিখা আছিল এবিধ দৰবৰ গুণাগুণ। লিখা আছিল যে—এই দৰব তথা কজ্জলী বা কাজল চকুত লগালে মাটিত পৰি থকা সৰিয়হৰ গুটি এটাও দৃষ্টিগোচৰ হয়।

তাৰ পাছত বিশ্বনাথবৈদ্যৰই তালপাতত লিখা মতে সমস্ত গছৰ ফল-পাত-শিপা আদি গোটাই লৈ, দৰব তৈয়াৰ কৰি, আঁউসীৰ ৰাতি, দেওবাৰে সেই দৰব চকুত লগাই বাহিৰলৈ ওলাল। কথা সঁচে-কাটে সঁচা, আঁউসীৰ নিমজ এন্ধাৰৰ মাজতো বিশ্বনাথবৈদ্যই প্ৰতিটো সৰুত-কৈয়ো সৰু বস্তু স্পষ্টকৈ মনিব পৰা হ'ল।

এইদৰে এন্ধাৰৰ মাজেদি গৈ গৈ হঠাৎ তেওঁ মাটি ফালি কেইটামান কলহ ওলাই অহা দেখা পালে। নিয়ম অনুসাৰে, মাটিৰ গৰাকীয়েই কলহবোৰৰো গৰাকী হ'ব লাগে। কিন্তু—ইয়াত ইমানবোৰ কলহ ওলোৱাৰ কথা এই মাটিৰ গৰাকীয়ে নিশ্চয় নাজানে—গতিকে তেওঁক জনোৱা-টোৱেই উচিত ঃ ভাবিলে বিশ্বনাথবৈদ্যই।

পাছদিনা, সেই মাটিৰ গৰাকীৰ সৈতে দেখা কৰিবগৈ বুলি ভাবিও, খোৱা-বোৱাৰ পাছত টোপনিয়াই থাকিল। মাজনিশা

মহীধৰ মহন্ত



কিবা এটা লৰচৰ কৰি থকা যেন পালে ঘৰৰ ভিতৰত। বিশ্বনাথবৈদ্যই এন্ধাৰৰ মাজতো তাত পৰিষ্কাৰ দেখা পালে—এটা ভূতক।

পোনতে ভয় খালে, যদিও পাছত সাহসৰে সুধিলে, "তুমি কোন? ইয়ালৈ কিয় আহিলা? মোৰ ওচৰত কি দৰকাৰ তোমাৰ? কোন তুমি? কোন?"

ভূতটোৱে তীব্ৰ দৃষ্টিৰে বিশ্বনাথবৈদ্যলৈ চাই ক'লে, "মই যে কোন তুমি নাজানানে কি? নজনাৰ ভাওজুৰিলেই হ'বনে? —মই ভূত। পিছে—ভূত হ'লেও মোৰ বিশেষ পৰিচয় তথা মৰ্য্যাদা এটা নথকা নহয়।"

ডাঠ বুকুৰাটোৰ দৰে বিশ্বনাথবৈদ্যই এইবাৰ ভূতটোক ক'লে, "তুমি ভূতেই হোৱা বা কাৰোবাৰ পুতেই হোৱা, মোৰনো কিটো বাক আহিল-গ'ল?"

এই কথা শুনি বিৰাট হাঁহনে হাঁহি ভূতটোৱে ক'লে, "শুনা—বেছি কবিৰাজী নকৰা। —তুমি এঠাইত খুঁটা পুতি থৈ আহিছানে নাই?"

"তো—কি হ'ল?" বিশ্বনাথে ক'লে, "মন গ'ল পুতিলোঁ, কি জগৰ লগালোঁ?"

ভূতটোৱে এইবাৰ কঠুৰা মাতেৰে ক'লে, "মোক ভাঁৰিব খুজিছা? তুমি কিবা-নহয়-কিবা প্ৰকাৰে জানিছিলা—সেইবোৰ কলহ—মোৰেই। মোৰ ভৱিষ্যৎ বংশধৰৰ বাবে মই তাত থৈ দিছোঁ তাত। মোৰ নাতি মাধৱে এইবোৰ কলহ পাওক—এয়ে মোৰ ইচ্ছা। আন কোনোবাই যদি নিয়ে তাৰ সৰ্বনাশ হ'ব।" এই বুলি কৈয়েই ভূতটো অদৃশ্য হৈ গ'ল।

বিশ্বনাথে খবৰ লৈ জানিলে যে সেই মাটিৰ গৰাকীৰ ঘৰত 'মাধৱ' নামৰ কোনো কেও নাই। তেতিয়া ভাবিলে যে—যদিহে ক'ৰবাত কোনোবা 'মাধৱ' নামৰ ল'ৰা আছে, তেনেহ'লে এইবোৰ কলহ তাক দিয়াৰ ব্যৱস্থা কৰা উচিত। এই কথাবোৰ বহু সময় ধৰি ভাবি ভাবি,

য'ত খুঁটাটো পুতিছিল, তালৈ শিল এচটা কঢ়িয়াই লৈ গ'ল আৰু সেই শিলচটাক শিৱলিংগৰ আকৃতি কৰি শিল-চটাৰ চাৰিওফালে ফুলেৰে সজাই দিলে।

এইবোৰ কাম বিশ্বনাথবৈদ্যই কোনেও নেদেখাকৈ বোৱাৰী পুৱাতে কৰিছিল। আৰু ৰাতি পুউৱাৰ লগে লগে শিৱলিংগই দেখা দিয়াৰ বাতৰি বায়ুবেগে সকলোতে বিয়পি পৰিল। বিশ্বনাথবৈদ্যই পুতি থৈ অহা, দেখাত দৰে ঘূৰণীয়া-দীঘলীয়া শিল-চটা দৰ্শন কৰিবলৈ দলে-বলে মানুহ-মুনিহ ঢপলিয়াই আহি থাকিল আৰু হৰ হৰ বোম্ বোম্ ৰৱেৰে গগন ফালি পূজা আগ কৰিবলৈ ধৰিলে।

এই দৃশ্য চাই বিশ্বনাথবৈদ্যই বৰ আনন্দ পোৱা হ'ল। কিয়নো—তেওঁৰ আঁচনি সফল হৈছে, তেওঁ ভবামতেই সকলো ঘটনা ঘটিব ধৰিছে।

তাৰ পাছত, আন কেইজনমানক লগত লৈ বিশ্বনাথ সেই মাটিৰ গৰাকীৰ কাষ চাপিল। জমিদাৰে অৰ্থাৎ সেই মাটি-ডোখৰৰ গৰাকীয়ে বিশ্বনাথৰ কথাৰ উত্তৰত ক'লে, "যি মাটি ফালি শিৱলিংগ আবিৰ্ভূত হৈছে, সেই মাটিখিনি অৱশ্যেই শিৱৰ নামত উছৰ্গা কৰা হ'ব। মই তাত মন্দিৰ সাজিবলৈ সেই মাটিখিনি দিম। আনকি, মন্দিৰ সাজিবলৈ ধনো দিম। এইবোৰ মই আজিয়েই কৰিম। আজিয়েই মাটিও লিখি দিম, ধনো দিম।"

তাৰ পাছতহে বিশ্বনাথবৈদ্যই সেই ঠাইৰ মাটি খান্দি কলহবোৰ গাঁৱৰ মান্য-গণ্য লোকসকলৰ উপস্থিতত উলিয়ালে আৰু কলহত থকা ধন-সোণেৰে শিৱ-মন্দিৰ নিৰ্মাণ কৰোৱালে।

বিশ্বনাথবৈদ্যৰ কাণ্ড দেখি ভূতটোৰ যদিও প্ৰচণ্ড খং উঠিল, তথাপি দহোৰাইজৰ মংগলৰ কাৰণে কামটো কৰা দেখি আৰু খং নলগালে। O



পথত প্ৰশ্ন

২

পাছদিনা যথাসময়ত ৰাজকোঁৱৰ ৰাজকুঁৱৰী সুলোচনাৰ ওচৰলৈ আহিল। সুলোচনাই ৰাজকোঁৱৰ ধীৰসিংহক আথে-বেথে বহুৱালে আৰু ক'লে, "ইয়াৰপৰা ত্ৰিছ যোজন দূৰত, পশ্চিম দিশত এখন নৈ প্ৰবাহিত হৈছে। সেই নৈৰ পানীখিনি দেখাত তেজৰ দৰে, যেনিবা তেজৰহে নৈ প্ৰবাহিত হৈছে। এই নৈৰ পানী তেজহেন কিয়? এই নৈৰ উৎস ক'ত? এয়ে হ'ল মোৰ দ্বিতীয় প্ৰশ্ন।

●

এই প্ৰশ্নৰ উত্তৰ বিচাৰি ধীৰসিংহ ঘোঁৰাৰ পিঠিত উঠি পশ্চিম দিশলৈ বুলি ৰাওনা হ'ল। গৈ গৈ দুদিন-দুনিশা পাৰ হৈ এখন নৈৰ পাৰ পালেগৈ। এই নৈখনৰ পানী আছিল তেজৰঙা। তেতিয়া সূৰ্য্যাস্ত হওঁ হওঁ হ'ল। আৰু ধীৰসিংহ এটা সৰু পাহাৰত উঠিলগৈ।

'চান্দমামা'

ধীৰসিংহই পাহাৰৰপৰা লক্ষ্য কৰিলে যে এই তেজৰঙা নৈৰ পাৰত থকা এজোপা বৃক্ষৰ ডালত অসংখ্য নাৰী-মুণ্ড ওলমি আছে আৰু নাৰীমুণ্ডবিলাকৰপৰাই তেজ নিগৰি নিগৰি নৈৰ পানীৰ বুকুত পৰি নৈৰ পানীক তেজহেন কৰি তুলিছে।

এই অদ্ভুত দৃশ্য বহুতো পৰলৈকে ধীৰসিংহই দেখি থাকিল। ক্ৰমে দিনৰ পোহৰ নোহোৱা হ'ল। ৰাতি হ'ল। নিমজ অন্ধকাৰ হৈ পৰিল। কিন্তু ৰাতিৰ অন্ধকাৰ ৰব বেছি সময়লৈ নাথাকিল। অকস্মাৎ সুউজ্জ্বল পোহৰেৰে সমগ্ৰ অঞ্চল উজলি উঠিল আৰু বৃক্ষৰ ডালত ওলমি থকা নাৰীমুণ্ডবিলাকে ধীৰসিংহলৈ চাই চাই হাঁহি হাঁহি একোটাকৈ নাৰীমুণ্ড বৃক্ষৰ ডালৰপৰা নৈৰ পানীলৈ খহি খহি পৰি থাকিল।

এইদৰে, একে একে আটাইবোৰ মুণ্ড যেতিয়া ডালৰপৰা খহি পৰিল, তেতিয়া তাত এটা বিৰাট অট্টালিকা দেখা গ'ল, আৰু নৈখন নোহোৱা হ'ল। সেই অট্টালিকাৰ ভিতৰত এখন ৰত্ন-খচিত সিংহাসন আছিল। অলপ সময়ৰ অন্তত কেইজনীমান সখীয়েকৰে সৈতে এজনী অপূৰ্ব ৰূপৱতী এখুজি-দুখুজিকৈ আগুৱাই আহি সেই সিংহাসনত বহিল।

আৰু বহাৰ লগেই লগেই লিগিৰী কেইজনীমানে সেই ৰূপৱতীলৈ বিভিন্ন খাদ্যবস্তু আনি দিলে। তাৰ পাছত তেওঁলোকৰ চকু পৰিল ধীৰসিংহলৈ। কেই-জনীমানে ধীৰসিংহক সুধিলেহি. "আপুনি কোন? আপুনি কৰ'পৰা আহিছে? ইয়ালৈ আহিল কেনেকৈ?"

ধীৰসিংহই ঘূৰাই সুধিলে, তোমা-লোকনো কোন? তোমালোকৰ এনে অৱস্থা কেনেকৈ হ'ল? কিয় হ'ল?" কোনে তোমালোকৰ অৱস্থা এনেকুৱা কৰিলে?

কিন্তু এই প্ৰশ্নৰ উত্তৰ কোনেও নিদিলে। সিহঁতে নৃত্য-গীত জুৰিলে।

ওৰে নিশা নৃত্য-গীত চলি থাকিল। আৰু ৰাতি পুৱাৰ লগে লগে, বেলি ওলোৱাৰ লগে লগে সেই সুৰম্য অট্টালিকা অদৃশ্য হৈ পুনৰ সকলো কথা-কাণ্ড আগৰ দৰে হৈ পৰিল। পুনৰ বৃক্ষৰ ডালত নাৰীমুণ্ডবোৰ ওলমি থাকিল, মুণ্ডবিলাকৰপৰা নৈৰ পানীত টোপা-টোপে ৰঙা তেজ নিগৰি নিগৰি পৰি থাকিল অবিৰাম-অনৰ্গল।



আৰু তাৰ পাছত, তাত আৰু নৰৈ, ধীৰসিংহ পুনৰ পশ্চিম দিশলৈ বুলি বাট বুলি বুলি গৈ থাকিল। গৈ গৈ গুহা এটা দেখা পাই তাত ৰ'ল আৰু গুহাৰ ভিতৰত এগৰাকী সাধুক একাগ্ৰমতীয়াভাবে তপস্যা কৰি থকা দেখা পাই গুহাৰ ভিতৰলৈ সোমাই গ'ল।

সাধুৱে ধীৰসিংহৰ উপস্থিতি অনুভৱ কৰি চকু মেলি চাই সুধিলে, "বোপা, ইয়ালৈ কি মন কৰি আহিলা ?"

ধীৰসিংহই আনুপূৰ্বিক সকলো কথা সাধুক বিস্তাৰিতভাৱে ক'লে।

সাধুৱে ক'লে, "বোপা, তুমি যিহঁক তাত দেখা পাইছিলা, আটাইতকৈৰূপৱতীজনীৰ নাম হ'ল সুনন্দিনী। সুনন্দিনী হ'ল অগ্নিকুণ্ড নামৰ এক জাদুকৰৰ নাতিনীয়েৰ। সুনন্দনীয়ে এজন যুৱকক বিয়া কৰাবলৈ ইচ্ছা প্ৰকাশ কৰাত ক্ৰুদ্ধ অগ্নিকুণ্ডই সুনন্দিনীক, আৰু লগতে তাইৰ বান্ধৱী কিছুমানকো জাদুৰ বলেৰে গছৰ ডালত ওলোমাই থ'লে।"

"সাধুজী, আপুনি মোক যদি সহায় কৰে, মই সুনন্দিনীক মুক্ত কৰিব পাৰিম।" ধীৰসিংহই ক'লে।

"ধীৰসিংহ, অগ্নিকুণ্ড অতি নিষ্ঠুৰ-নিৰ্মম প্ৰকৃতিৰ। পিছে—তুমি যদি অগ্নিকুণ্ডক সমুচিত শিক্ষা দিবলৈ সঁচাকৈ আগবাঢ়া, তেনেহ'লে মই তোমাক একাকি মন্ত্ৰ শিকাই দিম। এই মন্ত্ৰ পৱিত্ৰ মনেৰে উচ্চাৰণ কৰিলে অগ্নিকুণ্ডৰ জাদুৰ প্ৰভাৱ তোমাৰ ওপৰত নপৰিব আৰু বিপদ-



বিঘিনিয়েও তোমাক স্পৰ্শ নকৰিব।"
সাধুৱে ধীৰসিংহক মন্ত্ৰফাকি শিকাই দিলে।

তাৰ পাছত ভক্তিযুক্ত মনেৰে সাধুক প্ৰণাম কৰাৰ লগে লগে ধীৰসিংহই নিজক এটা পাহাৰৰ ওপৰত থিয় হৈ থকা দেখা পালে। তেতিয়া ধীৰসিংহই ভাবিলে : এই পাহাৰৰ ওপৰতে ক'ৰবাত কিজানি অগ্নিকুম্ভৰ অট্টালিকা আছে। —এই কথা ভাবি ভাবি ধীৰসিংহ পাহাৰৰ ওপৰেদি গৈ থাকিল। হঠাৎ বাঘ আৰু সিংহৰ গৰ্জন শুনা গ'ল। ধীৰসিংহই অলপো বিচলিত নহৈ সাধুৱে শিকাই দিয়া মন্ত্ৰ মনে মনে আওৰোৱাৰ লগে লগে বাঘ-সিংহৰ গৰ্জন বন্ধ হ'ল।

বহু দূৰলৈ আগুৱাই যোৱাৰ পাছত এঠালতীয়া মাটিৰ ওপৰেদি ধীৰসিংহই খোজ কাঢ়িবলৈ টান পালে। কিন্তু মন্ত্ৰ উচ্চাৰণ কৰাৰ লগে লগে সেই অসুবিধাও গুচিল।

ইপিনে — পাহাৰতে অৱস্থিত তাৰ জাদু-অট্টালিকাত বহি অগ্নিকুম্ভই ধীৰসিংহৰ আগমনৰ কথাৰ আঁটকাল পাই, জাদুৰ বলেৰে এক নকলী সুনন্দিনী সৃষ্টি কৰি, সহচৰী কেইজনীমানৰে সৈতে ধীৰসিংহৰ ওচৰলৈ পঠালে।

নকলী সুনন্দিনীক অবাক হৈ পৰা ধীৰসিংহই ক'লে, "অলপ সময়ৰ আগতে তোমাৰ তেজসৰা মুণ্ডটো গছৰ ডালত ওলমি থকা দেখা পালোঁ। এতিয়াইনো ইয়ালৈ আহি পালাহি কেনেকৈ ?"

নকলী সুনন্দিনীয়ে হাঁহি হাঁহি ক'লে, "মই, আৰু আমি আটাইকেইজনীয়েই তোমাক বৰ ভাল পাইছোঁ। তুমি আমাৰ লগত একেলগে খোৱা-বোৱা কৰিবা ব'লা।"

সুনন্দিনীৰ কথাত ধীৰসিংহ তাইৰ লগত গ'ল। এই নকলী সুনন্দিনী ধীৰ-সিংহক এবিধ সুগন্ধি পানীয় দিলে। ধীৰসিংহই সেই পানীয় পি-খালে, আৰু লগে লগে চেতনা হেৰুৱাই বাগৰি পৰিল।

তেতিয়া নকলী সুনন্দিনীয়ে ধীৰসিংহক বন্দী কৰি অগ্নিকুম্ভৰ হাতত সঁপিলে।

অগ্নিকুম্ভ—নামতো, আৰু দেখাতো অগ্নিকুম্ভ। অগ্নিকুম্ভই ধীৰসিংহক জুইত পেলাই পুৰি মাৰিবলৈ তাৰ পৰীয়াইঁতক আদেশ দিলে। আৰু লগে লগে সেই পৰীয়াইঁতে ধীৰসিংহক বিৰাট একুৰা জুইৰ মাজত পেলাই দিলে।

কিন্তু জুইত পৰাৰ মুহূৰ্ততে সাধুক সুঁৱৰি সেই মন্ত্ৰফাকি উচ্চাৰণ কৰাত ধীৰসিংহৰ একো অনিষ্ট নহ'ল।

তেতিয়া অগ্নিকুম্ভই ধীৰসিংহক কাৰাগাৰত ভৰাই থলে। কাৰাগাৰৰ ঘাই পৰীয়া চফল ডেকা কৰুণাকৰণ যে জাতু-ৰজা অগ্নিকুম্ভৰ বিৰোধী, সেই কথাৰ বুজ লোৱাত ধীৰসিংহৰ বৰ বেছি পলম নহ'ল। আৰু এটা বিচিত্ৰ কথাৰো ভেদ পালে যে সুনন্দিনীয়ে এইজন কৰুণাকৰনক বিয়া কৰাবলৈ বিচাৰে।

ধীৰসিংহই কৰুণাকৰণক ক'লে, "মই এই কাৰাগাৰৰপৰা ওলাব পাৰোঁ যদি—ওলোৱামাত্ৰেই মই অগ্নিকুম্ভক খতম্ কৰিম আৰু তুমি যাতে সুনন্দিনীক বিয়া কৰাব পাৰা তাৰো বন্দৱস্ত কৰিম।"

কৰুণাকৰণে ক'লে, "চোৱা, কামটো যিমান সহজ বুলি ভাবিছা, সিমানেই কঠিন। অগ্নিকুম্ভ অতি নিৰ্মম-নিষ্ঠুৰ। এই পাহাৰৰ ঘৰেই তাৰ একমাত্ৰ ঘৰ



ধৰণৰ গছলৈ আঙুলিয়াই কৰুণাকৰণে ধীৰসিংহক ক'লে, "এই গছবোৰ কিন্তু প্ৰকৃত গছ নহয়। এইবোৰ হ'ল— অগ্নিকুণ্ডৰ অত্যাচাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰাইঁত। অগ্নিকুণ্ডই জাদুৰ বলেৰে বিদ্ৰোহীইঁতক গছলৈ ৰূপান্তৰিত কৰিছে।"

লগে লগে ধীৰসিংহই পৱিত্ৰ অন্তৰেৰে সাধুৰে শিকাই দিয়া মন্ত্ৰফাকি আওৱালে, আৰু চকুৰ পচাৰতে সেই গছবোৰে পুনৰ মানুহৰ ৰূপ ঘূৰাই পালে। ধীৰসিংহই এইবোৰ মানুহক তেওঁৰ বিশ্বস্ত সৈন্য হিচাপে লগত ল'লে।

তেতিয়া অগ্নিকুণ্ডই একমনে তালপাতৰ পুথি পঢ়ি আছিল। ধীৰসিংহই আগুৱাই অহাৰ কথা জাদুৰ বলেৰে জানিব পাৰি অগ্নিকুণ্ডই তৎক্ষণাৎ সমগ্ৰ অঞ্চল নিমজ অন্ধকাৰ কৰি তুলিলে।

ইমান ঘুটঘুটীয়া এন্ধাৰত একো মনিব নোৱাৰি ধীৰসিংহই তেওঁৰ এই নৱলব্ধ সৈন্যইঁতক পিছুৱাই যাবলৈ ক'লে। কিন্তু এই সৈন্যইঁত ধীৰসিংহৰ প্ৰস্তাৱত মান্তি নহ'ল। সিহঁতে হেনো অগ্নিকুণ্ডক খতম্ কৰিহে এৰিব, খতম কৰি জলগ্ৰহণ কৰিব। সিহঁত আগ বাঢ়িবলৈ ধৰিলে।

কিন্তু আগ বাঢ়ি যোৱাৰ বাটত কত যে বাধা! অন্যান্য নানান বাধাৰ উপৰি

নহয়। এই পাহাৰৰপৰা ত্ৰিছ হাজাৰ গজ ওপৰত মেঘালয়ত তাৰ আৰু এটা জাদু-অট্টালিকা আছে। তালৈ গৈ কোনো মানুহেই অগ্নিকুণ্ডৰ অনিষ্ট কৰিব নোৱাৰে।"

ধীৰসিংহই ক'লে, "চোৰা, কথাতে বোলে—ধৰ্মৰ গৰুৰ সদায় ৰক্ষা। জয়ী মই হ'মেই। তুমি মোক কাৰাগাৰৰপৰা মুক্তি দিয়া, তাৰ পাছত চাবা — মই কি পাৰোঁ আৰু কি নোৱাৰোঁ।"

ধীৰসিংহক কৰুণাকৰণে কাৰাগাৰৰপৰা মুক্ত কৰি দিলে আৰু অগ্নিকুণ্ডৰ থকা ঠাইৰ পিনে আগ বঢ়াই লৈ যাবলৈ ধৰিলে।

সিহঁত গৈ থকা বাটৰ দুকাষত বিভিন্ন

হঠাৎ হাজাৰ হাজাৰ সাপে ফেঁট তুলি খুটিবলৈ আহিল। কিন্তু ধীৰসিংহই তৎক্ষণাৎ সাধুৰ মন্ত্ৰ উচ্চাৰণ কৰি সেই সাপবিলাকক মুহূৰ্ততে নোহোৱা কৰিলে আৰু বাধা-বিপদ সকলো অতিক্ৰমি অগ্নিকুম্ভক খতম্ কৰাৰ দৃঢ় প্ৰতিজ্ঞাৰে আগবাঢ়ি যাবলৈ ধৰিলে।

আৰু অৱশেষত ধীৰসিংহৰ সৈন্যইঁত অগ্নিকুম্ভৰ অট্টালিকাৰ ভিতৰলৈ সোমাই গ'ল। সৈন্যইঁত অবাক-নিবাক হৈ পৰিল। কিয়নো — অগ্নিকুম্ভৰ এই অট্টালিকাৰ প্ৰতিটো কক্ষ আছিল সোণেৰে নিৰ্মিত। প্ৰতিটো কক্ষত আছিল বিভিন্ন প্ৰকাৰৰ সুখাদ্য। ইমান খাদ্য দেখা পাই, ক্ষুধাৰ্ত-ক্লান্ত সৈন্যইঁতে তৎক্ষণাৎ খাবলৈ ধৰিলে আৰু খোৱাৰ অলপ পাছত আটাইবোৰ সৈন্যয়েই ঠাইতে শুই পৰিল।

সৈন্যবিলাকৰ এই অৱস্থালৈ লক্ষ্য কৰি ধীৰসিংহই সাধুৰ মন্ত্ৰ জপি অৰ্ধ-অচেতন সৈন্যইঁতৰ ওপৰলৈ মন্ত্ৰঃপূত পানী ছটিয়াই দিলে। আৰু লগে লগে সেই খাদ্য খাই অচেতন হৈ পৰা সৈন্যইঁত যুদ্ধলৈ সাজু হৈ থিয় দিলে।

ধীৰসিংহই করুণাকৰণক কাষত বহুৱাই লৈ নিজেও এচটা শিলৰ ওপৰত বহিল। তিমানতে অগ্নিকুম্ভই মেঘৰ আঁৰত থকা অট্টালিকালৈ গুচি গ'ল। অগ্নিকুম্ভ পলাল।

সাধুৰ মন্ত্ৰ উচ্চাৰণ কৰি ধীৰসিংহই

মেঘালয়লৈ চাই পঠালে।

আৰু পাছ মুহূৰ্ততে অগ্নিকুম্ভৰ মেঘালয়ৰ অট্টালিকা চূৰ্ণ-বিচূৰ্ণ হৈ ভাগি পৰিল। অট্টালিকাৰ লগত জাদু-তান্ত্রিক অগ্নিকুম্ভও টুকুৰা-টুকুৰা হৈ পৰি মৰিল।

অগ্নিকুম্ভ মৰাত কোনেও দুখ-শোক প্রকাশ নকৰিলে।

তাৰ পাছত, ধীৰসিংহই অট্টালিকা পৰ দিবলৈ কেইজনমান সৈন্যৰ ওপৰত গুৰু-দায়িত্ব অৰ্পণ কৰি কৰুণাকৰণক লগত লৈ গছৰ ডালত ওলমি থকা নাৰীমুণ্ডবিলাকৰ কাষ চাপিল। কিন্তু তাত তেতিয়া আৰু মুণ্ডবিলাক ওলমি নাছিল। অগ্নিকুম্ভৰ মৃত্যুৰ ফলত সেই মুণ্ডবোৰ পৰিপূৰ্ণ নাৰীলৈ ৰূপান্তৰিত হৈ পৰিছিল।

তেতিয়া সুনন্দিনীয়ে তেওঁৰ সখীহঁতৰ সৈতে সেই অট্টালিকাৰ পিনে আহি আছিল। ধীৰসিংহই সুনন্দিনীক ক'লে, "সুনন্দিনী' অগ্নিকুম্ভক মাৰি পেলোৱাৰ ফলত তুমিও মুক্তি পালা, আৰু তোমাৰ বান্ধৱীসকলো মুক্ত হ'ল। এতিয়া তুমি কৰুণাকৰনক বিবাহ কৰাই সুখে-সন্তোষে তথা নিশ্চিন্তে জীৱন যাপন কৰি থাকা।"

সুনন্দিনীয়ে আনন্দৰে সৈতে ধীৰসিংহৰ এই প্ৰস্তাৱ মানি ল'লে আৰু ধীৰসিংহৰ উদ্যোগত তেতিয়াই গন্ধৰ্বমতে কৰুণাকণক বিবাহ কৰালে।

ইমান কঠিন আৰু বিৰাট বিপদজনক ঘটনাত সাধুৰ মন্ত্ৰজনিত সহায়ৰ কথা সুঁৱৰি ধীৰসিংহ সাধুৰ ওচৰলৈ গৈ, সকলো বিবৰি সাধুক সাষ্টাংগে প্ৰণাম কৰিলে।

তাৰ পাছত ৰাজকোঁৱৰ ধীৰসিংহইৰাজকুঁৱৰী সুলোচনাকা সকলে কথা ক'লেগৈ।

সকলো কথা শুনাৰ অন্তত, সুলোচনাই ধীৰসিংহক ক'লে, "অগ্নিকুম্ভৰ মৃত্যুৰ লগে লগে নৈৰ পানী স্বাভাৱিক হ'ল। কালিলৈ যদি অনুগ্ৰহ কৰি ইয়ালৈ আহে, মই মোৰ তৃতীয় প্ৰশ্নটো আপোনাক সুধিম।"[আগলৈ



বগৰী বোটলা বিদ্যা

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, কাৰ্য্যৰ সফলতাৰ গুৰিত শ্ৰমেই সাৰকথা নহয়। শ্ৰম মূৰ্খাদপি মূৰ্খয়ো কৰিব পাৰে; কিন্তু শ্ৰমৰ সৈতে বুদ্ধি-বিবেচনা নথকাটো আঞ্জাত লোণ নথকাৰ দৰেই কথা। মই তোমাক জ্ঞানী হিচাপে জনাজাত এক মূৰ্খৰ কথা ক'ম। শুনি শুনি গৈ থাকা।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে:

কোশল দেশৰ ৰাজধানীৰ এমূৰত পণ্ডিত বিদ্যানন্দযোগীৰ টোল আছিল। নিতান্ত মূৰ্খইতেও তেওঁৰপৰা সহজেই

'বেতাল-কথা'

বিদ্যাখিনি আয়ত্ত কৰিব পাৰিছিল।

কোশল ৰজাৰ আছিল দুগৰাকী ৰাণী। দুই ৰাণীৰ আছিল দুই পুত্ৰ। ডাঙৰ ৰাণীৰ পুত্ৰৰ নাম আছিল বিজয়। বিজয় বৰ বুদ্ধিমন্ত। তাৰ যোল বছৰ বয়সতে বিজয়ে শাস্ত্ৰৰ জ্ঞান আৰ্জিব পাৰিছিল।

সৰুৰাণীৰ পুত্ৰৰ নাম অজয়। অজয় আছিল মূৰুখ, কুৰীয়া, ধোদ, কিন্তু অহংকাৰী। এদিন সৰুৰাণীয়েৰজাক ক'লে, "অজয়টোৱে একো-এটাও নিশিকিলে।"

ৰজাই ক'লে, "বিদ্যানন্দযোগীৰ টোললৈ গ'লেই হ'ল। যিমানেই মূৰ্খ হওক, তেওঁ কিবা-নহয়-কিবা শিকাই দিবই। পিছে— তেওঁৰ আশ্ৰমৰ নিয়ম-কানুন বৰ কট-কটীয়া। তেওঁৰ দৃষ্টিত ছাত্ৰ মানে ছাত্ৰ। দুখীয়াৰ ল'ৰাও যি, ৰজাৰ ল'ৰাও সি। জাত নাই পাত নাই—গ'লেই হ'ল; কিন্তু কঠোৰ নিয়ম-শৃংখলাৰ মাজত থাকিবলগা হয় বুলি আঢ্যৱন্ত লোক-সকলৰ পুত্ৰইঁত তালৈ নাযায়।"

ৰজাৰ কথাৰ উত্তৰত সৰু ৰাণীয়ে ক'লে, "অজয়ৰ সৈতে বিয়জকো বিদ্যানন্দ যোগীৰ টোললৈ পঠোৱা হ'লে—দুয়োৰে মাজত প্ৰতিযোগিতামূলক মনোভাব গঢ়ি উঠিব। ককায়েৰক দেখি ভায়েকে শিকিব।"

তেতিয়া ৰজাই অজয়ৰ সৈতে বিজয়কো বিদ্যানন্দযোগীৰ টোললৈ পঠালে।

কিছুদিনৰ অন্তত ৰাণী দুয়োগৰাকীক লগত লৈ বিজয়-অজয়ৰ অধ্যয়নৰ খা-খবৰ ল'বলৈ বিদ্যানন্দৰ টোললৈ গ'ল। গৈ— অজয়ক যৰথষ্ট উৎসাহী যেন দেখা পালে।

ৰজাই মৰমৰে অজয়ক সুধিলে, "বোপা অজয়, ইয়াতনো তুমি কেনে পাইছা?

অজয়ে অতি আনন্দৰে সৈতে ক'লে, "তোমাক কি যে কওঁ দেউতা—পণ্ডিত বিদ্যানন্দ — আমাৰ গুৰুদেৱ — অতি জ্ঞানৱন্ত পুৰুষ। সৰ্ববিষয়তে তেওঁৰ সুগভীৰ জ্ঞান। আন প্ৰতিজনেই যিবোৰ শাস্ত্ৰ এবছৰলৈ অধ্যয়ন কৰে, মই এদিনতে

আয়ত্ত কৰিলোঁ। তেওঁৰ ওচৰত—মানে—আমাৰ গুৰুৰ ওচৰত থকা আটাইবোৰ শাস্ত্র মই এমাহতে শিকিলোঁ। তেওঁৰপৰা মোৰ শিকিবলগীয়া আন একোৱেই নাই।"

সৰু ৰাণীয়ে অর্থাৎ অজয়ৰ মাকে আনন্দতে আত্মহাৰা হৈ কৈ উঠিল, "বোপা, তুমি যিখিনি শিকিলা, তাৰপৰা দুই-এটা কিবাকিবি কোৱাচোন শুনো।"

"চোৱা মা, সেইবোৰ শাস্ত্র তোমাৰ মূৰত নোসোমাব। গতিকে—অলপ—হেৰি মানে—ভাঙি-পাতি ক'ব লাগিব। পিছে—এটা কথা জানি থোৱা, প্রতিটো কাহিনীতে শিকিব-জানিবলগীয়া কিবা-নহয়-কিবা থাকেই। শিকাৰ মন থাকিলে সকলোৱেই শিকিব পাৰে।" এই বুলি কোৱাৰ অন্তত অজয়ে তাৰ মাকক কেইটা-মান কাহিনী চমুকৈ ক'লে। সেইবোৰৰ প্রতিটোৰে ঘাই চৰিত্র আছিল এটাকৈ মূর্খ। এই মূর্খবোৰে কিন্তু নিজক অতি জ্ঞানী বুলি ভাবে আৰু অহংকাৰী হয়।

বৰ ৰাণীয়ে উদ্বিগ্নতাৰে সুধিলে, "অজয়, আমাৰ বিজয়নো ক'ত আছে? সি লিখা-পঢ়া কৰি আছেনে কি?"

"মই যিবোৰ কাহিনী ক'লোঁ, এইবোৰ কাহিনী শুনি ককাইদেৱে অলপো ভাল পোৱা নাছিল। হতাশ হতাশ যেন লাগিছিল ককাইদেউক। আৰু ককাইদেৱে যিবোৰ শিকিলে, সেইবোৰ নতুন ছাত্ৰ-হঁতক শিকাব লাগিব। ককাইদেউৰ ধাৰণা হৈছে—তেওঁ এতিয়ালৈকো একো শিকিব নোৱাৰিলে। শিকিবলগীয়া বহুত বাকী আছে। তেওঁ দিনে-নিশাই পঢ়ি থাকে, পঢ়িয়েই থাকে। ঢলপুৱাতে তেওঁৰ পঢ়াৰ আৰম্ভণি, মাজনিশাতেহে জিৰণি।" অজয়ে অলো-ভলোকৈ ক'লে।

অজয়ৰ কথা শুনি অবাক হৈ পৰা ৰজাই বিজয়ক মতাই পঠালে।

ৰজাই তথা দেউতাকে মাতিছে বুলি শুনিও আহোঁতে অলপ পলম হ'ল

বিজয়ৰ। বিজয় অহাৰ পাছত ৰজাই লক্ষ্য কৰিলে যে বিজয় অতি বিষণ্ণ।

ৰজাই বিজয়ক সুধিলে, "বোপা, বিজয় আমি অহা বুলি খবৰ পায়ো তুমি ইমান দেৰী কৰিলা কিয় আহোঁতে?"

বিজয়ে তাৰ দেউতাক প্ৰণাম কৰি ক'লে, "দেউতা ৰাজপ্ৰাসাদত থাকোঁতে মই বহুত কিবাকিবি জানিলোঁ বুলি ভাবিছিলোঁ। কিন্তু—ইয়ালৈ অহাৰ কিছু-দিনৰ অন্তত মোৰ সেই ভুল ধাৰণা আঁতৰিল। ইয়ালৈ অহাৰ পাছত মই মুঠতে এই কথাটি গভীৰভাৱে বুজি পোৱা হৈছোঁ যে মই আচলতে প্ৰায় একোৱেই নাজানো। শিকিবলগীয়া কিমান যে আছে! ভৱিষ্যতত যদি দেশ চলাব লাগে, বহু কথা বহু কাম শিকিব লাগিব। এক মুহূৰ্ত সময়ো শিক্ষাৰ কাৰণে মূল্যৱান।"

এনেতে বিদ্যানন্দযোগীয়ে ৰজাক ক'লে, "আপোনালোক ইয়ালৈ অহাৰ সম্বাদ লোৱাত মোৰ অলপ বিলম্ব হ'ল। কিয়নো—মই তপস্যাত বহি আছিলোঁ। মোৰ এই বিলম্ব অনিচ্ছাকৃত, গতিকে—বেয়া নাপাব, আৰু দোষ-ত্ৰুটি মাৰ্জনা কৰিব। মোৰ এই আশ্ৰমৰ শিষ্যসৱে—আপোনালোকৰ কাৰণে কৰণীয়খিনি যথাযোগ্যভাৱে কৰিলেনে, মহাৰাজ?"

ৰজাই বিদ্যানন্দযোগীক ক'লে, "মই যি ভাবিছিলোঁ, ইয়ালৈ আহি দেখিলোঁ

তাৰ বিপৰীত চিত্ৰ। মোৰ ডাঙৰটি পুত্ৰ বিজয় অতি বিষণ্ণ, কিন্তু সৰুটি—অজয়হে আনন্দিত আৰু উৎসাহিত। এই কথাই মোক বৰ বিভ্ৰান্তিত পেলাইছে।"

"মহাৰাজ, বিজয়ক যদি আপুনি আমাৰ আশ্ৰমত দুবছৰমান থাকিবলৈ দিয়ে, মই তাক সমস্ত শাস্ত্ৰৰ বিষয়ে বিজ্ঞ কৰি তুলিব পাৰোঁ। তাৰ সেই যোগ্যতাৰ মানপত্ৰও মই তাক দিম। এই যোগ্যতাৰ অধিকাৰীয়ে ভক্তি, বেদান্ত আৰু লোক-জ্ঞানৰ বিষয়ে যথেষ্ট জ্ঞান লাভ কৰে।" বিদ্যানন্দযোগীয়ে ৰজাক কথাখিনি বুজাই ক'লে।

"তেনেস্থলত—" ৰজাই অলপ দোমন দোহস্তহেন হৈ সুধিলে, "আমাৰ সৰুটি অজয়ৰ সম্পৰ্কেনো আপোনাৰ মত কি?"

"অজয় হ'ল অসীম জ্ঞানৰ অধিকাৰী। তাৰ গুৰুৰ আৱশ্যকতা নাই। তাক শিক্ষা দিয়াৰ জোকাৰে জ্ঞান—মোৰ অন্ততঃ নাই। তাক আপুনি আজিয়েই ঘৰলৈ লৈ যাব পাৰে।" বিদ্যানন্দযোগীয়ে ক'লে।

ৰজাই বিদ্যানন্দযোগীৰ এই কথাৰ উত্তৰত কিবা ক'বলৈ মুখ মেলিও নোকোৰা হ'ল। তেওঁ অজয়ক লগত লৈ সেই দিনাই ৰাজপ্ৰাসাদলৈ উভতি গ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, বিদ্যানন্দযোগীক নিৰপেক্ষ পণ্ডিত ব্যক্তি



যেনহে লাগিছিল। যেনিবা — তেওঁৰ ওচৰত সকলো সমান। কিন্তু—তেওঁৰ মাজতো দেখোন স্বাৰ্থপৰতা দেখা গ'ল। অজয়ৰ প্ৰতি তেওঁৰ মনোভাব বা দৃষ্টি-ভংগী, তথা মন্তব্য—বৰ বিস্ময়কৰ। অজয়ৰ হেনো শিকিবলগীয়া একো নাই। অজয়ক শিক্ষাদান কৰাৰ জোখাৰে বিদ্যাবুদ্ধিও হেনো বিদ্যানন্দযোগীৰ নাই। এইবোৰ কথা শুনি ভাব হয়, বিদ্যানন্দযোগীৰ এনেবোৰ মন্তব্যৰ আঁৰত নিশ্চয় কিবা ৰহস্য আছে। মোৰ ধাৰণা, অজয়ক ঠিকমতে শিকোৱাহেঁতেন, সি বিজয়তকৈ আগবঢ়া হ'লহেঁতেন। সেই কাৰণেহে বিদ্যানন্দ-যোগীয়ে অজয়ক খৰখেদাকৈ বিদায় কৰি দিলেনে তেওঁৰ টোল [তথা আশ্ৰমৰপৰা? মোৰ এই প্ৰশ্নৰ সঠিক উত্তৰ জনা সত্বেও যদি নিদিয়া, তেনেহ'লে — হে ৰজা, তোমাৰ সমগ্ৰ জীৱনকালৰ সমস্ত সংগ্ৰাম অতি অৱশ্যেই কালিমা-লিপ্ত হ'ব।"

বেতালৰ কথাৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "বিদ্যানন্দযোগীয়ে ৰজাক এই কথা ক'ব পৰা নাছিল যে, তেওঁৰ সৰুটি পুত্ৰ অজয় হ'ল এটি যথামূৰ্খ। এগৰাকী ৰজাক পোনে পোনেই এনে কথা কোৱা টান। সেই কাৰণে—অজয় যে বাস্তৱিকেই মূৰ্খ, সেই কথা বিদ্যানন্দযোগীয়ে আও-পকীয়াকৈহে ৰজাক ক'বলগীয়া হৈছিল। অজয় আছিল অতি জঘন্য অহংকাৰী। তাৰ যে শিক্ষালাভ নহ'ব, এই অহংকাৰেই যে পতনৰ মূল,—সেই কথা হৃদয়ংগম কৰিয়েই বিদ্যানন্দযোগীয়ে অজয়ক লৈ যাবলৈ কৈছিল ৰজাক। অহংকাৰে বাহ ল'লে সেই বাহ লোৱা ঠাইত আন একো থাকিব নোৱাৰে, বগৰী বোটলা বিদ্যাৰ ইমানেই প্ৰতাপ।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

দানৰ গৰুৰ দাঁত

ধনিক মানুহ ধৰ্মৰাজে তেওঁৰ মৃত্যুৰ আগে আগে দুই পুত্ৰ শিৱনাথ আৰু নাৰায়ণক ক'লে, "মোৰ মৃত্যুৰ পাছত সা-সম্পত্তিখিনি দুয়ো সমানে ভগাই ল'বা। এই সমান ভাগৰ চুলিমানো হেৰফেৰ নহয় যেন চাবা।"

দেউতাকৰ মৃত্যুৰ পাছত সকলো সম্পত্তি সমানকৈ ভগাই ল'লে সিহঁতে, লেঠাত পৰিল গাইকেইজনীক লৈ। গাই-দামুৰি মিলাই আছিল মুঠ তেৰজনী। দুজনৰ মাজত ছটাকৈ ভগাই লোৱাৰ পাছত এজনী বাকী থাকিল। সেইজনীক কোনে ল'ব—সেই কথা সিহঁতে ঠাৱৰ কৰিব নোৱাৰি গাঁৱৰ পুৰোহিত পৰিতোষ শৰ্মাক কথাটো ক'লেগৈ।

শৰ্মা পুৰোহিতে সিহঁতক ক'লে, তোমালোকৰ দেউতাৰাৰ শৰাধৰ উপলক্ষ্যে তোমালোকে এজনী গাই দান কৰিবা বুলি আশা কৰিছিলোঁ। আৰু দান কৰিলে তোমালোকৰো সমস্যা নাথাকিব।"

"তেনেহ'লে আমাৰ সমস্যাৰো সমাধান কৰি দিয়ক। আপোনাক কি লাগে কওক।" নাৰায়ণে ক'লে।

"মোক গাই এজনীহে লাগে।" শৰ্মা শৰ্মাদেউৰে পুৰোহিত ক'লে।

"আপোনাক গাইজনী দিলেই কেনেকৈ সমস্যাৰ সমাধান হ'ব?" শিৱনাথে সুধিলে।

"তোমালোকে গাই এজনী দান কৰিলেও সমস্যাৰ সমাধান হ'ব পাৰে। আৰু—যদি তেনেকৈ সমস্যাৰ সমাধান কৰিব পাৰি—তাতেহে মোৰ সাৰ্থকতা।" শৰ্মা পুৰোহিতেই ক'লে।

শিৱনাথ আৰু নাৰায়ণ অলপ সময়

নিপন তালুকদাৰ

ভাবি লৈ ক'লে, "আমাৰ ভাগ হওক— তেতিয়া আপোনাৰ ক্ষমতাৰ উমান ল'ব পাৰিম। যি কি নহওক—তেৰজনী গাইক যে কেনেকৈ সমান ছভাগত ভগাম— তাকেহে ভাবি উলিয়াব পৰা নাই।"

"এইয়া কোনো সমস্যা নহয়। মোৰ গাইজনীক তোমালোকক দিছোঁ মই। তেতিয়া আৰু ভগেৰাত টান নাপাবা। সমস্যাৰ সমাধান হৈ যাওক, পাছত যি হয় হওক।" পুৰোহিতে ক'লে।

"কিন্তু—" শিৱনাথ আৰু নাৰায়ণে ক'লে, "আপোনাৰ গাইজনীৰ দাম তো দিব লাগিব। নহয় জানো? তাৰ পাছত আপোনাৰ সেই গাইজনীৰ আ-অৱস্থা বা কেনে হ'ব—।"

"এইটোও প্ৰশ্ন হ'লনে বাৰু? মোক এজনী গাই দান কৰিবা। আৰু—মই তোমালোকৰ মাজত সঠিককৈ ভগোৱাৰ বাবে আন গাই জনীক ধাৰলৈ দিলোঁ। এই ধাৰ পৰিশোধ কৰাৰ পাছত তোমালোকে সেইটো ঘূৰাই দিবা। তোমালোকে এই কথা নিশ্চয় ক'ব নোৱাৰিবা যে মই তোমালোকৰ গাইজনীক তোমালোকক দান হিচাপে দিলোঁ।"

এই কথা শুনি শিৱনাথ আৰু নাৰায়ণে ভাল পাই শৰ্মা পুৰোহিতক গাই এজনী দান হিচাপে দি ক'লে, "শৰ্মাদেউ, কেৱল বামুণ হিচাপে আপোনাক এজনী গাই দান কৰা বুলি নাভাবিব। আপোনাক এইজনী গাই দান কৰিলে আমাৰ দেউতাৰাৰ আত্মাই শান্তি লাভ কৰক বা নকৰকেই, আপোনাৰ কথা পিন্ধোৰাৰ কথাইহে আমাক আপোনাৰ প্ৰতি আকৃষ্ট কৰিছে, আৰু সেইহে আমি এজনী গাই আপোনালৈ দান হিচাপে দিছোঁ।"

শৰ্মা পুৰোহিতে সিহঁতৰ কথাত ভাল পাই, দানৰ গৰুৰ দাঁত নোচোৱাকৈয়েই দহ জোৰা মাৰিলে। O



চান্দামামা ক্রোড়পত্র-৫

জ্ঞান ভাণ্ডাৰ

ঐতিহাসিক ব্যক্তিত্ব

দাৰা ছুকোহ্

সম্রাট শ্বাহজহাঁ আৰু বেগম মুমতাজমহলৰ জ্যেষ্ঠ পুত্ৰ দাৰা ছুকোহ্ ১৬১৫ চনৰ ২০ মাৰ্চ তাৰিখে জন্ম গ্ৰহণ কৰিছিল। দাৰাই ডাঙৰ হৈ বিৰাট পাণ্ডিত্যৰ লগতে ধৰ্মীয় উদাৰতাও লাভ কৰিছিল। তেওঁ হিন্দুধৰ্মও নিষ্ঠাৰে অধ্যয়ন কৰিছিল আৰু ভাগবদ্‌গীতা, লগতে ভালেমান উপনিষদ পাৰসিক ভাষালৈ অনুবাদ কৰিছিল।

১৬৫৭ চনত তেওঁৰ পিতৃ গুৰুতৰভাৱে অসুস্থ হৈ পৰাত জ্যেষ্ঠ পুত্ৰ হিচাপে দাৰা ছুকোহ্‌কে সিংহাসনৰ উত্তৰাধিকাৰী হিচাপে মনোনীত কৰা হ'ল। কিন্তু সম্ৰাট শ্বাহজহাঁৰ তৃতীয় পুত্ৰ আওৰংজেৱে দাৰাৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰিলে আৰু দাৰা আওৰংজেৱৰ বিৰুদ্ধে যুদ্ধত পৰাজিত হৈ পাৰস্যলৈ পলাই যোৱাৰ বাটত কোনোবা এজন জীৱন মালিকৰ ঘৰত আশ্ৰয় ল'লে। এসময়ত দাৰাই এই জীৱন মালিকৰ জীৱন ৰক্ষা কৰিছিল ; কিন্তু অকৃতজ্ঞ জীৱন মালিকে দাৰাক আওৰংজেৱৰ হাতত গটাই দিলে আৰু আওৰংজেৱে ককায়েক দাৰাক মওলানাইতৰ হাতত গঁপিলে। সেই মওলানাইতে দাৰাক বিধৰ্মী বুলি ঘোষণা কৰি মৃত্যুদণ্ড প্ৰদান কৰাত ১৬৫৯ চনৰ ৩০ আগষ্টত দাৰাৰ মুণ্ডচ্ছেদ কৰা হৈছিল।

তেওঁ কোন ?

এগৰাকী পণ্ডিতে বছৰৰ পাছত বছৰৰ পাছত বছৰ ইমূৰৰপৰা সিমূৰলৈ ভ্ৰমি 'প্ৰতিস্থান' নামৰ তেওঁৰ নিজ বাসভূমিলৈ উভতি আহিল। তেওঁ লগত লৈ আহিছিল শ শ গল্প-কাহিনী। তেওঁ দেশৰ ৰজাক সেইবোৰ পঢ়ি শুনাবলৈ ৰাজ-সভালৈ গ'ল। কিন্তু ৰজাই শুনাত বৰ ইচ্ছুক নোহোৱা দেখি পণ্ডিতগৰাকী ৰজসভা এৰি মনে মনে ওলাই আহিল আৰু এক নিৰল-নিৰ্জন ঠাইত সেই গল্প-কাহিনীবোৰ জুইৰে পুৰি পেলাবলৈ ধৰিলে। ৰজাই তালৈ লৰৰি গ'ল আৰু পুৰি পেলাবলৈ নিষেধ কৰিলে। কিন্তু তিমানতে সাতখণ্ডৰ মাজত ছয় খণ্ডয়েই পুৰি ভস্ম হ'ল। সপ্তম খণ্ড কথমপি ৰক্ষা পৰিল। বহু কালৰ আগৰ অপ্ৰচলিত ভাষাৰে ৰচিত সেই কাহিনীবোৰ পাছত সংস্কৃত ভাষালৈ অনূদিত হৈছিল

তেওঁনো কোন আছিল ?

[উত্তৰ : ৮ পৃষ্ঠাত

বিজ্ঞানৰ আনন্দ

কেনেকৈ কি কৰিব লাগিব ঃ

খাদ্যজাতীয় শ্বেতসাৰৰ ওপৰত কেইফোটমান আইওডাইন [আয়োডিন] পেলোৱা। তাৰ ফলত এই শ্বেতসাৰে গাঢ়-নীলা বা বেঙুনীয়া-ক'লা বৰণ ল'ব। তাৰ পাছত কেঁচা আলুগুটি, এচকল পাউৰুটি বা অন্য খাদ্যৰ ওপৰত আইওডাইন কেইফোটমান পেলাই — শ্বেত-সাৰ দুগুকুৱালৈকে অপেক্ষা কৰা। তাৰ পাছত নোটবহীৰ কাগজত, বাতৰি-কাকতত, বা তেনেকুৱা অন্য এখিলা কাগজত আলোচনীৰ চকমকীয়া কাগজত আইওডাইন লগোৱা।

শ্বেতসাৰ-পৰীক্ষা



কি আৰু কিয় হয় ঃ

আলু, ময়দা, আৰু ময়দাৰে প্ৰস্তুত বিভিন্ন খাদ্য (যেনে—পাউৰুটি), আৰু লগতে নোটবহীৰ কাগজ, বা তেনেকুৱা অন্য কাগজ আদিত শ্বেতসাৰ আছে।"কিন্তু বাতৰি-কাকতত বা আলোচনীৰ চকমকীয়া কাগজতো নাই। কাগজক নিমজ কৰিব পৰা কোনো পৰিপূৰক পদাৰ্থ বাতৰি-কাকতৰ কাগজত নাই। দামী চকমকীয়া কাগজত পৰিপূৰক হিচাপে এবিধ বগা মাটি ব্যৱহৃত হয়। নোটবহীৰ আৰু সেই কাগজত শ্বেতসাৰ জাতীয় পৰিপূৰক আছে।

কিছুমান খাদ্য গোন্ধেৰে নাইবা সোৱাদেৰে পৰীক্ষা কৰিব পাৰি। শ্বেতসাৰো তেনেকৈ পাৰিনে? কিছুমান শস্যজাতীয় শ্বেতসাৰ তেনেকৈ পৰীক্ষা নকৰা কিয়?

হজম হোৱাৰ আগতে শ্বেতসাৰ চেনিলৈ ৰূপান্তৰিত হয়, আৰু লালটি হ'ল এবিধ হজমৰ ৰস। এই কাৰণে, মানুহৰ মুখৰ ভিতৰত অধিক সময়লৈ থকা শ্বেতসাৰ যে চেনিলৈ ৰূপান্তৰিত হয়, মুখৰ ভিতৰত এচকল ৰুটি বা লুচি জাতীয় কিবা ভৰালে মিঠা মিঠা সোৱাদ পোৱাৰপৰা তাৰ প্ৰমাণ পোৱা যায়। তোমাৰো এনেকুৱা নালাগেনে বাৰু?

ডায়ানাৰ মন্দিৰ

একালত এছিয়া মাইনৰৰ পশ্চিম তীৰত ইফেছাছ নামৰ সুসমৃদ্ধ নগৰী এখন অৱস্থিত আছিল। এই নগৰ বিশেষকৈ এটি মন্দিৰৰ কাৰণে বিখ্যাত আছিল। এই মন্দিৰ চিকাৰৰ দেৱী ডায়ানালৈ উছর্গা কৰা হৈছিল (গ্রিকসকলে এই দেৱীক 'আর্টেমিজ' বুলি অভিহিত কৰিছিল)। কোৱা হয় যে, ইফেছাছ নগৰৰ অধিবাসীসকলে পুৰুষপৰম্পৰাই ২২০ বছৰ ধৰি একেৰাহে শ্রম কৰি এই মন্দিৰ নির্মাণ কৰিছিল। দুর্ভাগ্যবশতঃ, ৰোম-সম্রাট নিৰোই এই মন্দিৰ লুট কৰিছিল, আৰু ২৬২ খ্রিষ্টাব্দত গথইঁতে এই মন্দিৰ ধ্বংস কৰিছিল।



আলেগজান্দৰৰ অহংক

মেছিডনৰ অধিপতি ফিলিপৰ পুত্ৰ আলেগজান্দৰে প্ৰকৃততেই ভাবিছিল যে তেওঁ হ'ল এগৰাকী দেৱতাৰ সন্তান ! সকৰেপৰাই তেওঁ বিশ্বাস কৰিছিল যে কিছুমান নিৰ্দ্ধাৰিত কাৰ্য্য সমাপন কৰিবলৈহে তেওঁ ধৰাধামলৈ আহিছে, যি কাৰ্য্য আন কোনেও কৰিব নোৱাৰে।

তেওঁৰ পিতৃয়েও পুত্ৰক সুলক্ষণীয়া ভাবিছিল। কিয়নো আলেগজান্দৰৰ জন্মৰ দিনাই তেওঁ এখন যুদ্ধ জিকিছিল !

আলেগজান্দৰৰ শিক্ষক আছিল মহান আৰিস্ত'তল। আলেগজান্দৰে কৈছিল ঃ "পিতাদেৱে মোক জীৱন দিলে কিন্তু জীৱন কেনেকৈ যাপিব লাগে, আৰিস্ত'তলেহে শিক্ষা দিলে।"

আৰিস্ত'তলে এই আলেগজান্দৰক দিগ্বিজয়লৈ ওলাবলৈকো শিক্ষা দান কৰিছিলনে কি, কোৱা টান। কিন্তু আৰিস্ত'তলে আলেগজান্দৰৰ মনত অনুসন্ধান-স্পৃহা জাগ্ৰত কৰিছিল আৰু আলেগজান্দৰে তেওঁৰ এই স্পৃহাৰ নিবৃত্তি বিচাৰিছিল দিগ্বিজয়ৰ যোগেদি।

সম্ৰাট দাৰিউছ-শাসিত পাৰস্য আছিল খ্ৰিষ্টপূৰ্ব চাৰি শতিকাত এখন শক্তিশালী দেশ। সম্ৰাট দাৰিউছক পৰাজিত কৰাত উৎসাহিত হৈ আলেগজান্দৰে ইখনৰ পিছত সিখন দেশ জয় কৰি খ্ৰিষ্টপূৰ্ব ৩২৬ শতিকাত ভাৰতবৰ্ষ পালেহি।



কাৰৰ যোগ্য প্ৰত্যুত্তৰ

তদানীন্তন ভাৰতবৰ্ষত থকা সভ্যতা আলেগজান্দৰে আন ক'তো দেখা নাছিল। পোনতেই আলেগজান্দৰক তক্ষশীলাৰ ৰজাই ভেটিবলৈ সাজু হ'ল। কিন্তু তক্ষশীলাৰ ৰজাই প্ৰকাশ কৰা সৌজন্য দেখি আলেগজান্দৰ অভিভূত হ'ল। তদানীন্তন ভাৰতৰ অসংখ্য ৰজাই আলেগজান্দৰলৈ অভিনন্দন জ্ঞাপন কৰিবলৈ আহিল। কিন্তু এগৰাকী ৰজা নাহিল। তেওঁ আছিল ঝিলম নৈৰ সিপাৰৰ খ্যাতকীৰ্তি ৰজা পুৰু। সাহসী ৰজা পুৰুৱে দিগ্বিজয়ী আলেগজান্দৰলৈ যুদ্ধলৈ আহ্বান জনালে।

এক ধুমুহাৰ নিশা, আলেগজান্দৰে সৈন্যবাহিনীৰে সৈতে ঝিলম নৈ পাৰ হৈ যুদ্ধলৈ অপ্ৰস্তুত পুৰুক আক্ৰমণ কৰি বন্দী কৰিলে। কিন্তু পুৰুৰ সৈন্যবাহিনীয়ে প্ৰচণ্ড বিক্ৰমেৰে যুদ্ধ কৰিহে পৰাজিত হৈছিল। ৰজা পুৰুৰ বীৰত্বত মুগ্ধ আলেগজান্দৰে বন্দী পুৰুক সুধিলে, "মোৰপৰা কেনেকুৱা ব্যৱহাৰ প্ৰত্যাশা কৰা?" পুৰুৱে ক'লে, "হে আলেগজান্দৰ! এগৰাকী ৰজাই আন এগৰাকী ৰজাৰপৰা যেনেকুৱা ব্যৱহাৰ পাব লাগে, তেনেকুৱা ব্যৱহাৰ প্ৰত্যাশা কৰোঁ।" পুৰুৰ উত্তৰত মুগ্ধ হৈ আলেগজান্দৰে তৎক্ষণাৎ পুৰুক মুক্ত কৰি দিলে আৰু দুয়ো বন্ধুতাৰ অনাজৰীৰে বান্ধ খালে।

ভাৰতৰ
অতীতলৈ জুমি
চাওঁ আহঁক।

১, এজন ভাৰতীয় যুৱকে আলেগজান্দৰ দ্য গ্রেট (দিগ্বিজয়ী আলেগ-জান্দৰক) তেওঁৰ সাহসিকতাপূৰ্ণ বক্তব্যেৰে ক্রুদ্ধ কৰি তুলিছিল। তেওঁ কোন আছিল ?

২. এই যুৱকে কোন ৰাজবংশৰ প্রতিষ্ঠা কৰিছিল ?

৩. তেওঁৰ উপদেষ্টা তথা মন্ত্রী কোন আছিল ?

৪, সেই উপদেষ্টাই ৰচিত বিখ্যাত গ্রন্থখনৰ নাম কি ?

৫. সেই গ্রন্থখনৰ বিশেষত্ব কি ?

৬, কনিষ্কই পৃষ্ঠপোষকতা কৰা বিখ্যাত চিকিৎসকজন কোন আছিল।

৭, সেই চিকিৎসজনে লিখা গ্রন্থখনৰ নাম কি ?

৮. কলিকতা মহানগৰ কোনে প্রতিষ্ঠা কৰিছিল ?

৯. এই মহানগৰ কেতিয়া প্রতিষ্ঠিত হৈছিল ?

১০. কলিকতাৰ প্রাচীনতম প্রতিষ্ঠান কি ?

[উত্তৰ : ৮ পৃ :]

আমাৰ সাধাৰণ জ্ঞানৰ সাত সোতৰ

১. এটা ভূমিষ্ঠ হোৱা কেংগাৰু আকাৰত কিমান ডাঙৰ হয় ?

১. মাত্র ৪ বছৰ বয়সত কোনে পৃথিৱীৰ অন্যতম বিখ্যাত গীতি-নাট্য ৰচনা কৰিছিল ?

৩. এটি পৰুৱাই কিমান ওজন দাঙিব পাৰে ?

৪. ওৱাং উটান্ মানে কি ?

৫. পৃথিৱীৰ শুষ্কতম ঠাইৰ নাম কি ?

৬. সূৰ্য্যৰ আকৃতিৰ ঠাইত কিমান মাটি ভৰাব পাৰি ?

৪. পৃথিৱীত পৰা আটাইতকৈ গধুৰ পপীয়াতৰা ক'ত দেখা গৈছিল ?

৮. মানুহ এজনৰ মূত্রাধাৰত (কিড্‌নি) থকা নলীৰ দৈৰ্ঘ্য কিমান ?

৯. বৰষুণতো কিবা ধৰণৰ ভিটামিন আছেনে ?

১০. যিশুৰ জন্মৰেপৰাই ২৫ ডিচেম্বাৰ পালিত হৈ আহিছেনে ?

[উত্তৰ : ৮ পৃষ্ঠাত]

১. গঠনমূলক ৰচনাৰ বাবে ভাৰতৰ জাতীয় পুৰস্কাৰ কি ?

২. কোন সংস্থাই এই পুৰস্কাৰ দিয়ে ?

৩. আন দুখন সহ-সংস্থাৰ নাম কি ?

৪. ভাৰতৰ কোনগৰাকী প্ৰধানমন্ত্ৰী বিখ্যাত গ্ৰন্থকাৰ আছিল ?

৫. তেওঁৰ বিশেষ উল্লেখযোগ্য তিনিটা কাৰ্য্য কি কি ?

৬. ৰবীন্দ্ৰনাথ ঠাকুৰে সাহিত্যৰ বাবে ন'বেল বঁটা কেতিয়া পাইছিল ?

৭, তেওঁ তেওঁৰ কোনখন গ্ৰন্থৰ বাবে ন'বেল বঁটা পাইছিল ?

৮. অতি সুন্দৰকৈ ইংৰাজি কবিতা ৰচনা কৰা পৰ্টুগিজ-ভাৰতীয় কবিজন কোন আছিল ?

৯. বিখ্যাত জাতীয়তাবাদী লোকমান্য টিলকে ৰচনা কৰা বিখ্যাত গ্ৰন্থৰ নাম কি ?

[উত্তৰ : ৮ পৃষ্ঠাত]

ভাৰতৰ সকলো ভাষাত এটা শব্দ

আমি শিকোঁ আহঁা

অসমীয়া : হৃদয় ; বাংলা : হৃদয় ; হিন্দী : হৃদয়, দিল; কন্নড় : হৃদয় ; গুজৰাটি : হেউন. হৃদয় ; মৰাঠী : হৃদয় : সংস্কৃত : হৃদয় ; ওড়িয়া : হৃ্দয় ; মালায়ালাম্ : হৃদয়ম্ ; তামিল : ইদয়ম্ ; তেলুগু : গুনডে ; পঞ্জাবী : দিল..হিৰাদা; কাশ্মীৰি : দিল ; সিন্ধি : দিলি ; উৰ্দু : দিল, জামিৰ ।

বিশ্বাস কৰানে ?

১. পিতৃ-মাতৃৰ আয়ুস কম হ'লে, সতি-সন্ততিহঁতৰো আয়ুস কম হ'ব ?

২. আইছক্রিমৰ প্রতিক্রিয়া ঠাণ্ডা ?

৩. স্বপ্ন ৰঙীন নহয় ?

নহয়—নহয়!

১. গৱেষণাৰ ফলত জনা গৈছে যে পিতৃ-মাতৃৰ আয়ুসৰ সৈতে তেওঁলোকৰ সতি-সন্ততিৰ আয়ুসৰ কোনো সা-সম্পর্ক নাই।

২. আইছক্রিম কেল'ৰিৰে পৰিপূর্ণ হোৱাত দেহত ইয়াৰ প্রতিক্রিয়া তাপযুক্ত।

৩. স্বপ্ন ৰঙীন হ'ব পাৰে।

উত্তৰ

তেওঁ কোন ?

গুণাঢ্য। 'বৃহৎ কথা'ৰ গ্রন্থকাৰ, যিখন গ্রন্থ পাছত আন ভাষাৰপৰা সোমদেৱে সংস্কৃতলৈ অনুবাদ কৰিছিল আৰু 'কথা-সৰিৎ-সাগৰ' নামেৰে জনাজাত হৈছিল।

ইতিহাস

১, চন্দ্রগুপ্ত।

২. মৌর্য্য ৰাজবংশ।

৩. কৌটিল্য, বা চাণক্য।

৪. অর্থশাস্ত্র।

৫. এইখনেই আইন আৰু সমাজ-বিজ্ঞান-সম্পর্কিত পৃথিৱীৰ প্রথম শৃংখলাবদ্ধ গ্রন্থ।

৬. চৰক।

৭. চৰক-সংহিতা।

৮. জোব্ চার্নক।

৯, ১৬৯০ চনৰ ২৪ অগাস্ট।

১০. কালীঘাটৰ কালী-মন্দিৰ।

সাধাৰণ জ্ঞান

১. পৌনে এক ইঞ্চি। কিন্তু পৰি-পূর্ণভাৱে ডাঙৰ নোহোৱালৈকে ই মাকৰ টোটোলাত সোমাই থাকে।

২. মোজার্ট। গীতি-নাটখনৰ নাম হ'ল 'মিথি ডাইটছ'।

৩. নিজৰ দেহৰ ওজনতকৈ পঞ্চাছ গুণ অধিক ওজন দাঙিব পাৰে।

৪. বনৰ বুঢ়া মানুহ।

৫. চিলিৰ 'কালামে' নামৰ ঠাই। তাত বৰষুণ হোৱাৰ কথা কোনো কালৰ কোনো মানুহে নাজানে।

৬. ১০ লাখ পৃথিৱীৰ মাটিতকৈও অধিক পৰিমাণৰ মাটি।

৭. আফ্রিকাত। পপীয়াতৰাটোৰ ওজন আছিল প্রায় ৬০ টন। ই 'পশ্চিম-হোবাৰ পপীয়াতৰা' নামেৰে জনাজাত।

৮. প্রায় ৪০ মাইল।

৯. আছে। ভিটামিন 'বি'।

১০, নহয়। ৪৪০ চনৰপৰাহে।

সাহিত্য

১. সাহিত্য-আকাদেমি পুৰস্কাৰ।

২. সাহিত্য আকাদেমি।

৩. সংগীত-নাটক আকাদেমি আৰু ললিত-কলা আকাদেমি।

৪. জৱহৰলাল নেহৰু।

৫. দ্য ডিছকভাৰি অব্ ইণ্ডিয়া, গ্লিম্পছেছ অব্ ওৱাৰ্ল্ড হিস্টৰি, আৰু এন অট'বায়'গ্ৰাফি।

৬. ১৯১৩ চনত।

৭. গীতাঞ্জলি।

৮. হেন্‌ৰি ডেৰ'জিঅ'।

৯. গীতা-ৰহস্য।

নেহৰু-উপাখ্যান-১



ওঠৰ শতিকাৰ প্ৰথম ভাগত ফাৰ্‌ৰুখশ্বিয়াৰ নামৰ মোগল বাদশ্বাহ এগৰাকী কাশ্মীৰ পৰিদৰ্শনলৈ গৈ ৰাজ কউল নামৰ ব্ৰাহ্মণ এগৰাকীৰ পাণ্ডিত্যত মুগ্ধ হৈ এই ব্ৰাহ্মণ-পৰিয়ালটিক দিল্লীলৈ লৈ আহিল। এই ব্ৰাহ্মণ-প[illegible]ালে দিল্লীৰ এক নহৰ্‌ অৰ্থাৎ খালৰ পাৰত ঘৰ সাজি বসবাস কৰিবলৈ ধৰাত কালক্ৰমে এইখন ব্ৰাহ্মণ [illegible]ৰিয়াল নহৰ-পৰিয়াল বা নহৰু-পৰিয়ালৰূপে অভিহিত হ'ল। এইপৰিয়ালৰ গংগাধৰ নহৰু (বা নেহৰু) ১৯৫৭ চনৰ চিপাহী বিদ্ৰোহৰ আগতে আছিল দিল্লীৰ কতোৱাল। ১৮৬১ চনত গংগাধৰ নেহৰুৰ মৃত্যুৰ তিনিমাহৰ পাছত তেওঁৰ এটি পুত্ৰ উপজিল। এই পুত্ৰটিয়েই আছিল মতিলাল নেহৰু। মতিলালক তেওঁৰ ককায়েক নন্দলালে ডাঙৰ-দীঘল কৰিছিল।



আঙৰ হৈ মতিলালে আইনজীৱি হিচাপে নতুনকৈ পতা এলাহাবাদস্থিত উচ্চ ন্যায়ালয়ত [হাই ক'ৰ্ট] তেওঁৰ জীৱিকা আৰম্ভিবলৈ ধৰিলে। সুদক্ষ আইনজীৱি হিচাপে তেওঁৰ সুনাম সকলোতে বিয়পি পৰিল। তিমানতে ককায়েক স্বৰ্গী হৈছিল।

জৱহৰলাল নেহৰু আছিল মতিলালৰ প্ৰথম আৰু একমাত্ৰ পুত্ৰ। জৱহৰলাল ১৮৮৯ চনত জন্মগ্ৰহণ কৰিছিল। গোটেই দিন ধৰি কাম-বন কৰাৰ অন্তত দেউতাক মতিলালে তেওঁৰ বন্ধু বান্ধৱ সৈতে গল্প-গুজৱ হাঁহি-মস্কৰা আৰু বিভিন্ন ধৰণৰ কথা-বতৰা পতালৈ আৰু ডাঙৰসকলৰ কাৰ্য্য-কলাপলৈ কণমানি জৱহৰলালে আঁৰত থাকি সদায় লক্ষ্য কৰিছিল।

এদিন মতিলাল নেহৰুৱে ৰেড ওৱাইন নামৰ নিচা নোহোৱা ৰঙা বৰণৰ মদ খাই থকা দেখি জৱহৰলালে তেওঁৰ মাক স্বৰূপৰাণীক হেঁপাই-ফোঁপাই ক'লেগৈ, "মা! মা! আহাঁ, চোৱাঁহি, দেউতাই তেজ পি-খাইছে!" ধৈৰ্য্যশীলা তথা ঠাণ্ডাভাবৰ মাকে তেওঁৰ অবুজন ল'ৰাটোৰ কথা শুনি মনে মনে হাঁহিলে।

মতিলাল নেহৰু আছিল ভদ্ৰ আৰু বুদ্ধিমান। কিন্তু খং উঠিলে অতি উগ্ৰ হৈ উঠিছিল। এদিন জৱহৰলালে মতিলালৰ মেজৰ ওপৰত দুটা কলম দেখা পাই ভাবিলে : দেউতাই লিখোঁতে একেলগে নিশ্চয় দুটা কলমেৰে নিলিখে। জৱহৰলালে এটা কলম নিলে আৰু তাৰ পাছত মতিলালৰপৰা মাধমাৰ খালে।



কিন্তু আচৰিত কথা, মাধমাৰ খায়ো জৱহৰলাল দেউতাকৰ ওপৰত ক্ৰুদ্ধ হৈ নুঠিল। তেওঁ ভাবিলে যে এই পিটন তেওঁৰ প্ৰাপ্য। যি কি নহওক, তেওঁৰ সান্ত্বনাৰ থল আছিল তেওঁৰ মাক। মাকে জৱহৰলালক ৰামায়ণ আৰু মহাভাৰতৰ অসংখ্য কাহিনী কৈছিল।

জৱহৰলালৰ জন্মদিন ধুমধামেৰে পালন কৰা হৈছিল। জন্মদিনত তেওঁক নতুন পোছাক-পাতিৰে সজোৱা হৈছিল, আৰু তুলাচনীৰ একালে তেওঁক বহুৱাই যেঁহু. বিভিন্ন পাচলি আদিৰে ওজন কৰি. সেই বস্তুবোৰ দুখীয়াইতৰ মাজত বিলোৱা হৈছিল। সকতে তেওঁৰ মনত এটা বিশেষ দুখ আছিল — তেওঁৰ জন্মদিন বছৰেকত মাত্ৰ এবাৰ এদিনহেহে!



বন্ধুভাৱাপন্ন এজন সৈনিকৰ উৎসাহত জৱহৰলালে প্ৰতিদ্দিন এটা টাটু ঘোঁৰাত উঠি ঘূৰি ফুৰিছিল। এদিন তেওঁ অকলেই ঘোঁৰাটোৰ পিঠিত উঠি দিলে। তেওঁ ঘোঁৰাটোৰ পিঠিৰপৰা তললৈ বাগৰি পৰিল আৰু ঘোঁৰাটোৱে তাৰ সেই আৰোহীক বাটত এৰি থৈয়েই ঘৰলৈ ঘূৰি আহিল।

সিদিনা মতিলালে তেওঁৰ কিছুমান বন্ধু-বান্ধবক ঘৰলৈ মাতি আছিছিল ভোজ খাবলৈ। আৰোহীবিহীন টাটু ঘোঁৰাটোক আহি থকা দৃশ্যই তেওঁলোকক ভীত কৰি তুলিলে। সকলো নিমন্ত্ৰিত আলহী ঘৰৰপৰা ওলাই আহিল আৰু কোনোবা ঘোঁৰাত উঠি, কোনোবাই দৌৰাদৌৰি কৰি, কোনোবা-কুহুবিয়ে গাড়ীত উঠি জৱহৰলালক বিচাৰি ওলাল।

জৱহৰলাল যেতিয়া লাহে লাহে ঘৰৰ পিনে খোজ কাঢ়ি আহিব ধৰিছিল, তেতিয়া তেওঁক দেখা পাই সকলোটিৰ মনত কিমান যে আনন্দ! বহু বহু বছৰৰ পাছত জৱহৰলালে লিখিছিল: "যেনিবা মই কিবা বীৰত্বৰ কামহে কৰি আহিছোঁ—সকলোটিয়েই মোৰে সৈতে এনেকুৱা ব্যৱহাৰ কৰিছিল। [অহা সংখ্যাত

ম'ৰা আৰু ঘন-চিৰিকা

বিদৰ্ভদেশৰ বিচিত্ৰসেন আছিল বজৰ-লেপীয়াবিধৰ মানুহ। কিবা কাম কৰিব বুলি ভাবিলে সেই কামৰ একেবাৰে শেষ নেদেখালৈকে একোপধ্যে নেৰিব।

এবাৰ — নতুন ধৰণৰ চিত্ৰ আঁকি উলিয়াবৰ মনেৰে ৰং-তুলিৰে চিত্ৰ অঁকাত লাগি পৰাত সেনাপতিয়ে ৰজাৰ এই কামৰ শলাগ লৈ ক'লে, "মহাৰাজ, ইমান দিন আপোনাক চিত্ৰশিল্পীসকলৰ পৃষ্ঠপোষক বুলিহে জানিছিলোঁ, কিন্তু এতিয়া দেখিছোঁ আপুনি স্বয়ঙেই ওখখাপৰ চিত্ৰশিল্পী। আপুনি অঁকা চিত্ৰবোৰ কেৱল আমাৰ অন্তেষপুৰত নাৰাখি ৰাইজক প্ৰদৰ্শনৰ বাবেও ব্যৱস্থা ল'ব বুলি আশা কৰিলোঁ।"

সেনাপতিক ৰজাই ক'লে, "মূল্যৱান চিত্ৰসমূহ কৌটিপতিইঁতৰ ঘৰতহে থাকে। সাধাৰণ ৰাইজৰনো চিত্ৰেৰে কি কাম হ'ব?"

ৰজাৰ কথাৰ উত্তৰত সেনাপতিয়ে ক'লে, "যিকোনো কলাশিল্পৰ মূল উদ্দেশ্য হ'ল—আনন্দ লাভ। আপুনি অঁকা চিত্ৰবোৰৰ প্ৰতিলিপি কৰাই নিচেই কম দামত প্ৰজাবৰ্গৰ মাজত বিক্ৰিৰ বন্দৰস্ত কৰিব পাৰে। তাৰ ফলত দেশৰ প্ৰজা-ৰাইজৰ মংগল হ'ব তথা দৃষ্টিভংগী উন্নত হ'ব আৰু ৰাইজ শিল্পকলাৰপ্ৰতি আকৃষ্ট হ'ব।"

সেনাপতিৰ ইমানবোৰ হ'ব হ'বই ৰজাৰ মনত বাকখিনি প্ৰভাৱ বিস্তাৰ কৰিলে। দুদিনমান ভবাৰ পাছত তেওঁ অন্য কোনোবা চিত্ৰশিল্পীৰ দ্বাৰা তেওঁৰ অঁকা চিত্ৰৰ প্ৰতিলিপি কৰাই অতি কম দামত প্ৰজাবৰ্গৰ মাজত বিলাব বুলি ভাবিলে।

পাছদিনা, ৰজাই তেওঁৰ মহামন্ত্ৰী

বিজয়শংকৰ ব'ৰগী

মদনমোহনকো কথাটো ক'লে। সকলো শুনাৰ অন্তত মহামন্ত্ৰী মদনমোহনে মহাৰাজক ক'লে, "মহাৰাজ, আপোনাৰ আঁচনি কাৰ্য্যকৰী কৰিবলৈ হ'লে ৰাজকোষৰপৰা লক্ষাধিক মোহৰ ব্যয় কৰিব লাগিব। আৰু এই আঁচনিৰে সাধাৰণ ৰাইজৰ উপকাৰ কিবা হ'বনে নহ'ব, সেই কথাতো মোৰ সন্দেহ আছে। এই আঁচনিৰ ধনেৰে দেশৰ অন্য জৰুৰী কাম কৰিব পাৰি। আমাৰ ৰাইজ কলাশিল্পতকৈ ভোজনশিল্পতহে অধিক আগ্ৰহী।"

মহামন্ত্ৰী মদনমোহনৰ কথাত ৰজাই একেবাৰে ভাল নোপোৱা হ'ল। তেওঁ তেওঁৰ আঁচনি মতে চিত্ৰসমূহৰ প্ৰতিলিপি কৰাবলৈ বহুতো চিত্ৰশিল্পীক নিযুক্ত কৰিলে।

এবছৰৰ অন্তত এদিন ৰজাই মহামন্ত্ৰী মদনমোহনক ক'লে, "মহামন্ত্ৰী, চিত্ৰৰ প্ৰতিলিপিৰদ্বাৰা দেশৰ ৰাইজৰ কিমান উন্নতি হৈছে, তাৰ এটা পৰীক্ষা লোৱা আৱশ্যক। আমি বিদেশী বণিজাৰৰ ভেশ লৈ ওলালে কিজানি কথাটো জানিব পাৰিম।"

মহামন্ত্ৰী মদনমোহনেও এনেকুৱা সুযোগ এটালৈ বাট চাই আছিল। পাছ দিনা ৰজা আৰু মহামন্ত্ৰী ভেশছন লৈ ওলাল। দুয়ো ভেশছনধাৰী বণিজাৰে ৰাজধানীৰ চিত্ৰকলাৰ ডাঙৰ দোকান এখন পালেগৈ। সেইখন দোকানত বিভিন্ন চিত্ৰশিল্পীয়ে অঁকা চিত্ৰসমূহ সযতনে সুৰক্ষিত আছিল। সেই চিত্ৰসমূহ ইমান সুন্দৰকৈ সজাই থোৱা হৈছিল যে— যিকোনো মানুহ সেই চিত্ৰসমূহৰ প্ৰতি আকৃষ্ট হ'ব। বহুতো পৰলৈকে তন্ন তন্নকৈ চাই—ৰজাই তেওঁৰ চিত্ৰৰ প্ৰতিলিপিবোৰো তাত দেখা পালে। দেখা পালে— তেওঁৰ চিত্ৰৰ প্ৰতিলিপিবোৰ দোকানৰ এচুকত অৱহেলাৰে দ'মাই থোৱা হৈছে।

হঠাৎ এজন প্ৰৌঢ় মানুহ দোকানলৈ আহিল আৰু দোকানীক ক'লে, "চাওক, মই নতুনকৈ ঘৰ এটা সাজিলোঁ। মই

ঘৰটোৰ দুৱাৰমুখতে এনেকুৱা চিত্ৰ এখন আঁৰিব খুজিছোঁ, যিখন চিত্ৰলৈ কোনেও ঘুৰিও নাচাব আৰু তাৰ ফলত মোৰ ঘৰটোলৈকো নোচোৱা হ'ব। মোক তেনেকুৱা চিত্ৰ এখন দিয়ক। আপুনি হেনো পানীৰ দামত আমাৰ ৰজাই অঁকা চিত্ৰৰ প্ৰতিলিপি বেচিছে। হয়নে?"

এই কথা শুনি ছদ্মবেশী ৰজাই যথেষ্ট অপমান পালে। তেওঁ তেতিয়াই দোকানখনৰপৰা ওলাই যাব বুলি ভাবিলে।



এনেতে এজন চিত্ৰশিল্পী দোকানলৈ আহিল আৰু দোকানীক ক'লে. "আমাৰ ৰজাৰ অঁকা চিত্ৰ দুখন দিয়কচোন।"

মহামন্ত্ৰী মদনমোহনে এই চিত্ৰশিল্পীজনক ক'লে, "আপোনাক মই আগৰেপৰাই চিত্ৰশিল্পী হিচাপে চিনি পাওঁ। আপুনি আমাৰ মহাৰাজে অঁকা চিত্ৰ নিশ্চয় আপোনাৰ ছাত্ৰইঁতক আহি হিচাপে দিবলৈ লৈছে?"

চিত্ৰশিল্পীজনে মৃদুকৈ হাঁহি মাৰি ক'লে "চাওক, ভাষাৰ ব্যাকৰণ দৰে চিত্ৰশিল্পৰো ব্যাকৰণ আছে, আছে নিয়ম-পদ্ধতি। এইবোৰ একো নকৰাকৈ চিত্ৰ অঁাকিলে যে কি হয় কেনে হয় — তাৰ আৰ্হি হিচাপে আমাৰ ৰজাৰ চিত্ৰবোৰ ছাত্ৰইঁতৰ আগত পৰিষ্কাৰভাৱে দাঙি ধৰিম বুলিহে কিনি লৈছোঁ ৰজাৰ এই চিত্ৰকেইখন।"

এই চিত্ৰশিল্পীৰ কথা শুনি ছদ্মবেশী ৰজাৰ মূৰ আচন্দ্ৰাই কৰি উঠিল। ৰজাই তৎক্ষণাৎ তাৰপৰা ওলাই যাবলৈ খোজ লোৱাৰ লগে লগে এগৰাকী বয়সস্থ মহিলা সোমালহি আৰু ৰজাই অঁকা চিত্ৰৰ প্ৰতিলিপি পাঁচখন কিনি লৈ বেগাই ওলাই যাবলৈ ধৰোঁতেই মহামন্ত্ৰীয়ে মহিলাগৰাকীক আগ ভেটি ধৰি সুধিলে, "আপোনাৰ দৰে বয়সস্থা মহিলা এগৰাকীৰ চিত্ৰশিল্পৰ প্ৰতি ইমান আগ্ৰহ সঁচাকৈয়েই শলাগিবলগীয়া।"

ছদ্মবেশী মহামন্ত্ৰীক মহিলাগৰাকীয়ে

ক'লে, "চোৰা বোপা, চিত্ৰশিল্পক বুজাৰ বা উপলব্ধি কৰাৰ শক্তি আমাৰ নাই। আমাৰ নাঙ্গং নবস্ত্ৰং অৱস্থা। কথা হ'ল কি—আমাৰ খিৰিকীৰ তক্তাবোৰ ভাগিল। বজাৰত কাঠৰ তক্তাৰ দাম এ'কবাৰে জুই চাই, সেইদেখিহে ক'বলৈ গ'লে প্ৰায় পানীৰ দামত পোৱা এই চিত্ৰকেখন লৈছোঁ খিৰিকীত লগাম বুলি।"

মহামন্ত্ৰী মদনমোহনে মুচুককৰে হাঁহি মহাৰাজলৈ চালে। তেওঁৰ চিত্ৰশিল্পৰ প্ৰতিলিপিবোৰ যথেষ্ট পৰিমাণে বিক্ৰি হোৱাত ৰজাই ভালেই পাইছিল, এতিয়াহে সেই বিক্ৰিৰ তথা জনপ্ৰিয়তাৰ আচল ৰহস্য বুজি পালে তেওঁ।

ৰজা তেতিয়াই ৰাজপ্ৰাসাদলৈ উভতি গ'ল। হতাশ হৈ পৰা ৰজাই মহামন্ত্ৰী মদনক ক'লে, "মই—দেশৰ ৰাইজ কলা-শিল্পৰ প্ৰতি আগ্ৰহ কৰি তোলাৰ আৰু ৰুচিক উন্নত কৰাৰ বাবে সেই আঁচনি কাৰ্য্যকৰী কৰিছিলোঁ। এতিয়া আৰু এইবোৰৰ কোনো আৱশ্যকতা নাই বুলি মোৰ দৃঢ় ধাৰণা হৈছে। গতিকে—মই এই আঁচনিক ৰূপায়িত কৰাৰ বাবে যি চিত্ৰশিল্পীহঁতক নিযুক্ত কৰিছিলোঁ, সেই বিলাককো আৰু ৰখাৰ আৱশ্যক নাই।"

ৰজাৰ এই কথাখিনিৰ উত্তৰত মহামন্ত্ৰী মদনমোহনে ক'লে, "মহাৰাজ, আপুনি যদি বেয়া নাপায় কওঁ আগবঢ়াওঁ। ম'ৰাক দেখি ঘন-চিৰিকাই পেখম ধৰিলেই ঘন-চিৰিকা ম'ৰা চৰাই নহ'ব। এই সামান্য প্ৰকৃত সংখ্যক শিল্পী হ'ব শিল্পৰ মাধ্যম। আপুনি নিযুক্ত কৰা শিল্পীসকলৰ বিকাশৰ বাবে চেষ্টা কৰক, সেয়ে হ'ব আপোনাৰ প্ৰকৃত শিল্পী-প্ৰেমৰ চানেকী।"

কিছু দিনৰ অন্তত বিদৰ্ভদেশৰ বিভিন্ন অঞ্চলত শিল্প-কেন্দ্ৰ গঢ় লৈ উঠিল আৰু বিদৰ্ভৰাজৰ শিল্পীমনৰ কথা সকলোতে আলোচিত হৈ থাকিল। O

কৃষ্ণাৱতাৰ

১৭

পাছদিনা ৰুক্মিনীৰ বিয়াখন পতা হ'ব বুলি কৈ নাৰদমুনি গুচি যোৱাৰ পাছত কৃষ্ণই তেওঁৰ লগা-ভগাসকলক ক'লে- "মহৰ্ষি নাৰদৰ কথা আপোনালোকে শুনিলেই। গতিকে—এই বিষয়ে ব্যৱস্থা অৱলম্বন কৰাত আমি আৰু পলম কৰা উচিত নহ'ব। আপোনালোকে নিজ নিজ নিজ বাহন সাজু কৰক। বিৰাট সৈন্য-বাহিনীৰে সৈতে আমি ওলাব লাগিব। যুদ্ধৰ নামত কোনেও ভয় নকৰিব। যুদ্ধ যেতিয়া অধৰ্মৰ যুদ্ধ হয়, তেতিয়া পৰাজয়ৰ ভীতিৰ কাৰণ থাকে; কিন্তু ধৰ্ম যুদ্ধত ভীতি অমূলক। ধৰ্মৰ নামত, ধৰ্মযুদ্ধৰ কাৰণে সাজু হৈ, সকলো নিশ্চিন্ত মনেৰে ওলাই আহক। জানি থওক—আমাৰ মাজতো সুযোগ্য বীৰ আছে। গতিকে চিন্তা কৰিবলগীয়া একো নাই। আমাৰ বাহিনীৰ নেতৃত্ব কৰিব্ সাত্যকিয়ে, মাজত থাকিব বলৰাম, আৰু শেষৰ ফালে থাকিব মহাৰাজ উগ্ৰসেন। মই দ্বাৰপালক লগত লৈ বিভিন্ন প্ৰকাৰৰ অস্ত্ৰৰ সহায়ত শিশুপাল, ৰুক্মি আৰু জৰাসন্ধৰ কবলৰপৰা ৰুক্মিণীক উদ্ধাৰৰ উদ্যোগ ল'ম।"

কৃষ্ণৰ কথাত সেই ঠাইত উপস্থিত থকা সকলোৱে সহৰ্ষে সমৰ্থন জ্ঞাপন কৰিলে। সকলোৱে সানন্দে যুদ্ধলৈ সাজু হ'ল।

তাৰ পাছত বাজি উঠিল যাত্ৰাৰম্ভৰ দুন্দুভি। সকলো একেলগে ৰাওণা কৰিলে। সুসজ্জিত-সুশোভিতটি হৈ ৰণৰঙ্গী কৃষ্ণ ৰথৰ ওপৰত উপৱিষ্ট হ'ল।

গৈ গৈ কৃষ্ণ বিদৰ্ভৰাজ্য পালেগৈ। ৰুক্মিণীৰ পিতাকে যথাযোগ্য মৰ্য্যদাৰে কৃষ্ণলৈ সাদৰ অভ্যৰ্থনা জ্ঞাপন কৰিলে। কৃষ্ণৰ লগত যিসকল সহচৰ-অনুচৰ আহিছিল, তেওঁলোকৰো আদৰ-অভ্যৰ্থনাৰ একো ত্ৰুটি নহ'ল।

কোনো কোনোৱে ক'লে, "শিশুপাল কৃষ্ণৰ পৰ নহয় নহয়—? কৃষ্ণ হ'ল শিশুপালৰ আপোনজন, পৰমাত্মীয়।"

এই কথা শুনি কেইজনমানে হাঁহি উঠিল। কিন্তু কিছুমান সেই হাঁহিলৈ চাই গহীন-গম্ভীৰ হৈ পৰিল আৰু ইহাঁইতলৈ পোন্দোৰাকৈ চালে।

এজনে কৈ উঠিল, "এই কথা বাজে কথা। কৃষ্ণৰ সৈতে শিশুপাল আৰু জৰাসন্ধৰ অহি-নকুল সম্পৰ্ক। গতিকে—এই আদৰ-অভ্যৰ্থনাৰ আঁৰত নিশ্চয় কিবা গূঢ় ৰহস্য থাকিব পায়।

ইপিনে—কৃষ্ণ সৈসৈন্যে অহাৰ বাতৰি পাই শিশুপালে পদাগাল দেখা দি দেখিলে জৰাসন্ধক জ্বৰে-ঘামে আঁটি মাৰিলে আৰু অন্য অন্য সহায়কাৰী সামন্ত ৰজাইঁতৰ মূৰেদি ধনঞ্জয় বায়ু উৰিবলৈ আৰম্ভ কৰিলে। কিন্তু তথাপি জৰাসন্ধই মুখৰ ফকফকনি নেৰা হ'ল। তেওঁ হাঁউৰি মাৰি দমদমাবলৈ ধৰিলে।

আৰু কৃষ্ণ অহাৰ বাতৰি পাই ৰুক্মিণীৰ তনু-মনত স্নিগ্ধতাৰ জোৱাৰ উঠিল। ৰুক্মিণীয়ে ভাবিলে: মোৰ কৃষ্ণই মোৰ মনৰ কথা উপলব্ধি কৰিব পাৰিছে। তেওঁ নিশ্চয় মোক এই বন্দী অৱস্থাৰপৰা মুক্ত কৰি লৈ যাব। মোৰ জীৱন আৰু জনম ইমান দিনেহে সাৰ্থক হ'ব যেন পাইছোঁ।

ৰুক্মিণীয়ে তেওঁৰ সখীইঁতক বাৰে বাৰে কৃষ্ণৰ কথা কৈ থাকিল। নিজক যেনিবা



আজি একেবাৰে নতুনকৈহে আৱিষ্কাৰ কৰিলে ৰুক্মিণীয়ে।

আনফালে—কৃষ্ণয়ো অন্য চিন্তা পৰিহৰি ৰুক্মিণীৰ চিন্তাতে বিভোৰ হৈ থাকিল। ৰুক্মিণীৰ সৈতে প্ৰথম দেখাত যে কেনেকৈ কি কৰিব, কেনেকৈ ইয়াৰপৰা পলুৱাই লৈ যাব, পলুৱাই নিওঁতে কোনবোৰে যে বাধা দিব, সেই বাধা কেনে উপায়েৰে অতিক্ৰম কৰিব—এইবোৰ কথা কৃষ্ণই গভীৰভাৱে ভাবি থাকিল। কৃষ্ণই ভাবি থাকিল: দেৱতা সকলে বাধা নিদিয়া হ'লে মোক মোৰ কামত বাধা দিওঁতা কোননো ওলাব? কোনো নাই। মোক বাধা দিয়াৰ দাঁত কাৰো নাই।

ৰাতি প্ৰভাত হ'ল। মধুমক্ষিকাবোৰ মধু সন্ধানি ওলাল। জলাশয়ত ৰাজহংস ভাহি উঠি থাকিল। কৃষ্ণ সুসজ্জিত হৈ ৰুক্মিণীৰ সন্দৰ্শনলৈ ধীৰ খোজেৰে ৰাওনা হ'ল।

ইপিনে — সখীয়েকহঁতে ৰুক্মিণীক ধুনীয়াকৈ সজালে। তাৰ পাছত—সোণৰ দোলাত উঠি ৰুক্মিণী গৌৰী-মন্দিৰলৈ গ'ল। সেই মন্দিৰত শ্ৰদ্ধাৰে সৈতে প্ৰৱেশ কৰি পূজা আদি কৰাৰ অন্তত ৰুক্মিণীয়ে গৌৰী-দেৱীক কৰযোৰে ক'লে, "হে দেৱী! মোক আন একো নালাগে, জগতৰ আন একোকে নিবিচাৰোঁ মই, ধন-সোণ, হীৰা মুকুতা, মণি-মাণিক্য একো মোক নালাগে, মাত্ৰ মই মোৰ কৃষ্ণক স্বামীৰূপে পাওঁ যেন—আই!"

ঠিক তেতিয়াই, মন্দিৰৰপৰা ওলোৱাই অহাৰ লগে লগে কৃষ্ণও তাত ওলালহি, আৰু ৰুক্মিণীক জীৱনত প্ৰথম বাৰৰ বাবে দেখা পালে। দেখি—কৃষ্ণ হতবাক হৈ পৰিল। এনে ভুৱনমোহিনী ৰূপ ৰুক্মিণীৰ মাজত থকা বুলি কৃষ্ণই কল্পনাও কৰিব পৰা নাছিল। ৰুক্মিণীৰ ৰূপ-লাৱণ্যৰ কথা অৱশ্যে কৃষ্ণই নুশুনাকৈ নাছিল, তথাপি—সেই ৰূপ যে স্বয়ং লক্ষ্মীদেৱীৰ ৰূপ—



সেই কথা ভাবিব পৰা নাছিল। কৃষ্ণৰ প্ৰাণত ৰুক্মিণীক জীৱন-লগৰী ৰূপে পোৱাৰ আশা প্ৰবল হৈ উঠিল।

ৰুক্মিণীয়েও কৃষ্ণক এয়ে প্ৰথম বাৰৰ বাবে দেখা দেখা পালে। ৰুক্মিণীৰ সখীয়েকহঁতে কৃষ্ণলৈ আঙুলিয়ালে আৰু ৰুক্মিণীয়ে যেনিবা সহস্ৰ নেত্ৰে স্থিৰভাৱে কৃষ্ণলৈ চালে। ৰুক্মিণীয়ে কৃষ্ণলৈ চোৱাৰ লগে লগে প্ৰায় শিলহেন হৈ পৰিছিল, সেই কথা নিজেও বুজি নাপালে ৰুক্মিণীয়ে। ৰুক্মিণীৰ এই অৱস্থালৈ চাই সখীহঁতকতে অলপ ভয় খালে।

সেই মুহূৰ্তত বলৰাম উপস্থিত হ'লহি। বলৰামক তাত দেখা পাই, বুকুত বল পোৱা যেন পাই, ৰুক্মিণীক কৃষ্ণই তেওঁৰ ৰথত উঠাই ল'লে। ৰুক্মিণীৰ সখীহঁত উদ্বিগ্ন হৈ উঠিল। প্ৰহৰীহঁতে কি কৰিব-কি নকৰিব থিৰাং কৰাৰ আগতেই ৰথখনে গতি ল'লে।

আৰু লগে লগে অসংখ্য অশ্ব, হস্তী আদিক মেলি দিয়া হ'ল কৃষ্ণৰ ৰথক ৰখাবলৈ। হৈ-চৈ হাই-উৰুমি শুনি উগ্ৰসেন, সাত্যকি, শতদ্যুম্ন, বিদূৰথ, প্ৰসেনজিৎ প্ৰমুখ তৎক্ষণাৎ ঢপলিয়াই আহিল কৃষ্ণক সহায় কৰিবলৈ।

বলৰামে কৃষ্ণক ক'লে, "তুমি ৰুক্মিণীক লৈ গুচি যোৱা, ইয়াত যি হয় হওক, আমি তাৰ যথোচিত ব্যৱস্থা-বন্দৱস্ত কৰিম, তুমি চিন্তা নকৰিবা।"

বলৰামৰ সৈন্যহঁতৰ হাতত ৰুক্মিণীৰ দেহৰক্ষীহঁত নিহত হ'ল। যি দুই-চাৰি আহত হৈয়ো কথমপি জীয়াই আছিল, সিহঁতে ভীষ্মক, জৰাসন্ধ, আৰু শিশুপালক খবৰটো দিলেগৈ।

আৰু এই বাতৰিৰ বৃত্তান্ত শুনি অতি অবাক হৈ পৰা জৰাসন্ধ, শিশুপাল প্ৰমুখই কৈ উঠিল: "আমাৰ ইমানবোৰ বীৰ থাকোঁতেওনো কৃষ্ণই কেনেকৈ ৰুক্মিণীক অপহৰণ কৰি লৈ গ'ল? এয়া এক

অসম্ভৱৰো অসম্ভৱ কথা। দুঃসাহসৰো সীমা থাকিব লাগে। এয়া হ'ল সীমাহীন দুঃসাহস —দুঃসাহস নহয়—সীমাহীন স্পৰ্ধা ! এনে আকাশলংঘা স্পৰ্ধাৰ সমুচিত উত্তৰ দিবই লাগিব। কৃষ্ণ বোলাটোৰ দম্ভিৰ সোধ অনতিপলমে জোৰাই-জোখাই সোঁৰৱাম। তাৰ নাকত ধৰি চাকত ঘূৰাম।"

জৰাসন্ধই উগ্ৰমূৰ্তি ধৰি পুনৰ ক'লে, "সামাইন গুৱালৰ পো এটাই মোৰ সকলো দম্ভ চূৰ্ণ কৰি পেলালে—এয়া অসহ্য কথা। মই আজিয়েই এই স্পৰ্ধাৰ সমুচিত জৱাব দিবলৈ বিচাৰোঁ। আজিয়েই মই সেই গুৱালৰ পো-ক পানী পানীকৈ শিকাম। —যুদ্ধ কাকক বোলে, তৰিব সি যমৰ আলহি হ'লে। মই আনকি সাগৰৰ বাধাকো নামানো। আৰু কেৱল গুৱাল কৃষ্ণটোকেই নহয়, তাৰ গোটেই গুৱাল বংশক ধ্বংস কৰি হলেও ৰুক্মিণীক মই ফিৰাই আনিম. আনিম, আনিমেই।"

অগ্নিমূৰ্তি জৰাসন্ধক শান্ত কৰিবলৈ পৌণ্ড্ৰিক বাসুদেৱে ক'লে, "মই হ'লোঁ আপোনাৰ ভৃত্য। আপুনি শান্ত হৈ বিশ্ৰাম লওক। মই অকলেই কৃষ্ণক টুকুৰা-টুকুৰকৈ কাটি যমৰ আলহী কৰি পঠাব পাৰিম। মই যে এটা স্বৰ্ণ সুযোগ পাইছোঁ, তাৰ বাবে নিজক নিজেই ধন্য মানিছোঁ। আজি মোৰ অত্যন্ত আনন্দৰ দিন। কৃষ্ণক হত্যা কৰিব পাৰিলে মোৰ সুনাম সকলোতে বিয়পি পৰিব, আৰু মোৰ সুখ্যাতি সকলোতে বৈ-বৈ যাব।"

ঠিক তেতিয়াই শিশুপালে ক'লেহি, "আপোনালোকে শুনক ! কোনো ইয়াৰ-পৰা লৰ-চৰ নকৰিব। এই অপমান অসহ্য ! কৃষ্ণই আমাক তুচ্ছ জ্ঞান কৰি যেনেকৈ ৰুক্মিণীক হেলাৰঙে অপহৰণ কৰি লৈ গ'ল, সেয়া দস্তুৰমত অপমানজনক কথা। কৃষ্ণ যে কিমান নীচকুলীয়া, তাৰ ছল-চন্দতে তাৰ প্ৰমাণ সি দি থৈ গৈছে। বিটোৱে



গাই-ছাগলী আৰু গৰখীয়াইঁতৰ মাজত থাকে, তাৰ ইমান সাহস মই নসহোঁ, একোপধ্যে নসহোঁ, তাৰ এনে তৰ্ণাস্তি পৰ্দান্ত নকৰোঁ। সেই দেখি—মোৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হ'ল কৃষ্ণক হত্যা কৰি ৰুক্মিণীক যেনেতেনে পুনৰ ইয়ালৈ লৈ অহা।"

তাৰ পাছত—জৰাসন্ধৰ প্ৰমুখ ৰজাই যুদ্ধৰ বাবে সাজু হৈ বিভিন্ন বাদ্য-বাদন কৰি ৰাওণা কৰিলে। তেতিয়াও ৰুক্মিণীৰে সৈতে কৃষ্ণক ৰথ চলাই গৈ থকা বহু দূৰৰপৰা দেখা পালে তেওঁলোকে। দেখা পাই দাঁত-মুখ কৰচি থাকিল, যদিও তেতিয়াই একো কৰিবলৈ নহ'ল।

কিন্তু জৰাসন্ধৰ সৈন্যইঁতে আৰু আগবাঢ়িব নোৱাৰিলে। বলৰামৰ সৈন্যইঁতে জৰাসন্ধৰ সৈন্যইঁতক আগভেটা দিলে। আৰু লগে লগে নাই তই নাই মই লাগি পৰিল। জৰাসন্ধৰ অসংখ্য সৈন্য নিহত হ'ল। সাত্যকি, শত্ৰুদেৱ, অক্ৰূৰ প্ৰমুখই প্ৰচণ্ড বিক্ৰমৰে যুদ্ধ কৰিলে। উভয় পক্ষৰে কিছুমান হতা-হত হ'ল। আৰু তাৰ পাছত ব্যক্তিগত যুদ্ধ আৰম্ভ হ'ম। ইপক্ষৰ বীৰে সিপক্ষৰ বীৰৰ সৈতে বেলেগে বেলেগে প্ৰচণ্ডভাৱে যুদ্ধ কৰি থাকিল।

বলৰামেই সৰ্বাধিক সংখ্যক যোদ্ধাক নিহত কৰিলে। আনহাতে জৰাসন্ধয়ো প্ৰতিপক্ষৰ বহুতকে মাৰিলে। পৰিশেষত—বলৰামে গদাযুদ্ধত জৰাসন্ধক মাৰি ভৈয়াম কৰি অচেতন কৰি বগৰাই পেলালে।

চেতনা হেৰুউৱাৰ লগে লগে জৰাসন্ধৰ তৎক্ষণাৎ ৰথৰ চালকে জৰাসন্ধক ৰথত উঠাই লৈ গুচি গ'ল।

স্বয়ং জৰাসন্ধৰ এই অৱস্থা দেখি তেওঁৰ সৈন্যইঁতৰ যেৱে যিপিনে পাৰিলে পলাবলৈ ধৰিলে। কিছুমানে পলালৈ গৈ উবা-জুবাত কৰ্ফাল খাই পৰিও মৰিল। যুদ্ধৰ এই বিষম পৰিস্থিতিলৈ লক্ষ্য কৰি কৃষ্ণই পাঞ্চজন্য শংখত ফু বৰ জোৰেৰে মাৰিলে।

কৃষ্ণই ৰুক্মিণীক অপহৰণ কৰাৰ বাতৰি পায়েই দক্ষিণদেশৰ ৰাজন্যবৰ্গও জৰাসন্ধক সহায় কৰিবলৈ লৰবি আহিব ধৰিছিল। তেওঁলোকে বহু দূৰৰেপৰাই কৃষ্ণৰ ৰথখন দেখা পালে। এই ৰাজন্যবৰ্গৰ সৈতে ঢপলিয়াই অহা বিপুল সৈন্যবাহিনীৰ লগে লগে গৈ, কৃষ্ণক ৰখাই, ৰুক্মীয়ে কৈ উঠিল, "হেৰ—ঐ গুৱালৰ বেটা কটাটো, ক'লৈনো গৈ আছ তই? তই যমৰ নৰকৰ বাহিৰে আন ক'লৈকো যাব নেলাগে। মোক তই চিনি পাইছনে? মই হ'লোঁ ৰুক্মিণীৰ ককায়েৰ ৰুক্মী, বিদৰ্ভ-ৰজাৰ ৰাজকোঁৱৰ। যদি এই জগতত আৰু কিছুদিনলৈ জীয়াই থাকিব খুজিছ, এতিয়া এইমুহূৰ্ততে ৰুক্মিণীক এৰি দে, নহ'লে যমৰ নাম ল।" এই বুলি কৈয়েই ৰুক্মিণীয়ে কৃষ্ণলৈ টোঁৱাই কাঁড়িয়াবলৈ ধৰিলে।

অৱশেষত, আত্মৰক্ষাৰ ন্যায্য অধিকাৰেৰে, কৃষ্ণয়ো কাঁড় এৰিবলৈ ধৰিলে। ৰুক্মীৰ ৰথৰ সাৰথি নিহত হ'ল। ৰুক্মীৰ সৰ্বদেহ কৃষ্ণই কাঁড়িয়াই থকা-সৰকা কৰিলে।

ৰুক্মীৰ দশা দেখি তেতিয়া দক্ষিণ-দেশসমূহৰ ৰাজন্যবৰ্গয়ো অস্ত্ৰ দাঙি ল'লে। বহু সময় ধৰি যুদ্ধ চলি থাকিল। আৰু এসময়ত আহত-অচেতন ৰুক্মীয়ে চেতনা ঘূৰাই পাই পুনৰ কৃষ্ণৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আগুৱাই গ'ল। এইবাৰ কৃষ্ণৰ তিনিডাল কাঁড়ে ৰুক্মীক এনেকৈ বিন্ধিলে যে—ৰুক্মী হতচেতন হৈ ৰথৰপৰা কটা কলগছ এজোপাৰ দৰে বাগৰি পৰিল।

নিজৰ ককায়েকৰ এনে অৱস্থালৈ চাই ৰুক্মিণীৰ মন বেদনাগধুৰ হৈ উঠিল।

কৃষ্ণই ৰুক্মিণীৰ মনৰ অৱস্থাৰ বুজ লৈ ৰুক্মিণীক যথোচিত সান্ত্বনা দিলে আৰু ক'লে যে তেওঁ ৰুক্মীৰ আন একো অনিষ্ট নকৰিব। তাৰ পাছত তেওঁ ৰথখন চলাই ৰুক্মিণীৰে সৈতে সেই যুদ্ধক্ষেত্ৰৰপৰা বেগাই গুচি গ'ল।

আই ঔ!

নাগপুৰত বৰুণ নামৰ এজন যুৱক আছিল। বৰুণে তাৰ মাকক লগত লৈ এজন চিকিৎসকৰ কাষ চাপিল। মাকৰ জ্বৰ। তাত তেতিয়া ভালেমান বেমাৰী বহি আছিল। বৰুণে তাৰ মাকক ক'লে, "মা, তুমি থাকা ইয়াত। তোমাক চাবলৈ দেৰী হ'ব। মই এতিয়াই অলপ আহিছোঁ।"

বৰুণ পঁচিছ বছৰীয়াটো হোৱা সত্বেও কোনো কাম-বনলৈ তাৰ মুঠেই মন-কাণ নাই। নিচেই কম বয়সত সি পিতৃহীন হ'ল. তাৰ মাকে তাক তুলি-তালি ডাঙৰ-দীঘল কৰিলে। ডাঙৰ-দীঘল হ'ল কিন্তু মানুহ নহ'ল। পঢ়া-লিখাৰ কথা বাদেই, বেয়া বন্ধু-বান্ধৱৰ লগ-সংগ লৈ সি আনকি সৰুসুৰা চুৰি-চাপাচীতো ধৰিলে! তাৰ ধাৰণা. এদিন এই চুৰি-তাৰিয়েই তাক চুণৰ ফোঁটত মাৰিব পৰা কৰি তুলিব।

বৰুণে প্ৰতিদিন গাঁৱৰ এমূৰত থকা বিৰাট পুখুৰী এটাৰ পাৰলৈ গৈছিল। এন্ধাৰ চাপি অহাৰ পাছত এজন মানুহ সেই পুখুৰীৰ পাৰেদি আহি থাকোঁতে ডেগাৰ উলিয়াই ক'লে, "যি আছে দিয়া, নহ'লে সিপুৰীলৈ খোজ লোৱা।"

মানুহজনে ভীষণ ভয় খাই তাৰ হাতৰ মোনাটো তাতে দলিয়াই দি তাৰপৰা গুচি গ'ল।

মোনাটোৰ ভিতৰত আছিল চাৰিহাজাৰ টকা। ইমান টকাৰে যে সি কৰিব, ঠাৱৰকে কৰিব নোৱাৰিলে। সি মাত্ৰ এশ টকা তাৰ চোলাৰ জেপত ভৰাই ল'লে, আৰু বাকীখিনি টকা ওচৰতে থকা তেতেলীজোপাৰ খোৰোঙত ভৰাই থলে।

ৰেৱতী ৰাজখোৱা

তাৰ পাছত সি মাকৰ ওচৰলৈ গ'ল। কবিৰাজৰপৰা দৰব-পাতি ল'লে।

কিন্তু পাছদিনা তাৰ মাকৰ জ্বৰ বাঢ়িল যেতিয়া, সি ক'লে, "কবিৰাজে তোমাক ভাল দৰব দিয়া নাই যেন পাইছোঁ।

সি পুনৰ তাৰ মাকক কবিৰাজৰ ওচৰলৈ লৈ গ'ল। সিদিনাও তাত বেমাৰীৰ ভিৰ। মাকক তাত বহুৱাই থৈ বৰুণ ওলাল। ওলাই ঘুৰি-ফুৰি পুনৰ আহিল তাত। তেতিয়া তাৰ মাকক বাহিৰে আন কোনো বেমাৰী তাত নাছিল। কবিৰাজে তাৰ মাকক পৰীক্ষা কৰি থাকোঁতে সি সেই কবিৰাজক সুধিলে, "মাৰ কি হৈছে?"

"অ'—তুমি এওঁৰে ল'ৰানে কি! তেনেহ'লে দুখেৰে কওঁ, তোমাৰ মাৰাক টান বেমাৰেই ধৰিছে।" কবিৰাজে ক'লে, "আৰু—এই বেমাৰতে তেওঁ মৰিব।"

ঠিক তেতিয়াই কবিৰাজৰ কৰ্মচাৰী এজনে এডাল লোৰ মাৰি তপতাই আনি বৰুণৰ হাতত ছোৱালে আৰু বৰুণে 'আই ঔ' বুলি চিয়ঁৰি উঠিল।

কবিৰাজে কৈ উঠিল, "এই 'আই ঔ' সঠিক সময়ত সঠিক ঠাইত কোৱাহেঁতেন কিমান উপকাৰ যে হ'লহেঁতেন!"

কবিৰাজৰ কথা শুনি বৰুণৰ মনত প্ৰতিক্ৰিয়া হ'ল। তাৰ উগ্ৰ খং উঠিল। সি কবিৰাজৰ টেঁটুত চেপি ধৰি ক'লে, "মোৰ মাক তুমি ইচ্ছা কৰি মাৰি পেলাইছা

যেন পাইছোঁ। তুমি মাৰ হত্যাকাৰী।"

কবিৰাজে বৰুণক ঠেলা মাৰি বগৰাই পেলাই ক'লে, "দেখিছোঁ—তুমি কেৱল চোৰেই নোহোৱা, এটা খুনীও!" এই কথা কোৱাৰ পাছত খন্তেকমান ৰৈ কবিৰাজে পুনৰ ক'লে, "চোৰাঁ, তুমি এজন দুখীয়া মানুহৰ টকাখিনি ডেগাৰ দেখুৱাই কাঢ়ি লৈছিলা। এই টকাখিনি আছিল তেওঁৰ ছোৱালীজনীৰ বিয়াৰ বাবে। বিয়া নোহোৱাত ছোৱালীজনী কুঁৱাৰ ভিতৰলৈ জঁপিয়াই পৰিল। তোমাৰ মাকক কিজানি এই পাপে ছুলে। কুপুত্ৰৰ দোষত যে মাক-দেউতাক কেনেকৈ মৰে—এই দুখলগা ঘটনা তাৰ দেখ দেখ প্ৰমাণ।"

কবিৰাজৰ কলিজাত ধৰা কথা শুনি বৰুণৰ বগা মুখ ক'লা পৰিল। তাৰ তাৰ মনত দৃঢ় বিশ্বাস হ'ল যে—দুখীয়া মানুহজনৰ ছোৱালীৰ বিয়াৰ টকা কাঢ়ি নিয়াতহে তাৰ মাক মৰা-মুগাজনী হ'ল।

বৰুণে কবিৰাজৰ ভৰিত ধৰি ক'লে, "নিশ্চয় কুঁৱাত জাপ দি মৰা ছোৱালীজনীৰ অভিশাপৰ ফলত মোৰ মাৰ এনেকুৱা অৱস্থা হ'ল। মই শ্ৰম কৰি উপাৰ্জন কৰাহেঁতেন নিশ্চয় মাৰ অৱস্থা এনেকুৱা—পাটী লোৱাবিধৰ নহ'লহেঁতেন।" এই বুলি লৈ, বৰুণ তাৰপৰা ওলাই ক'ৰবালৈ গ'ল।

তেতিয়া বৰুণৰ মৰা-মুগা যেন মাক শুই থকাৰপৰা জাঁপ মাৰি উঠি বহিল

আৰু কবিৰাজক ক'লে, "বোপা, তুমি হ'লা কবিৰাজ, আৰু মই হ'লোঁ নাবাজ-বাজ। মোৰ ল'ৰাটো যে চোৰ—আগে জনা নাছিলোঁ। তুমি তাৰ চুৰিৰ বেমাৰ ধৰিলা, তাৰ নতুন ধৰণে চিকিৎসাও কৰিলা। নিশ্চয় এনে চিকিৎসাই গুণ দিব।

কবিৰাজে হাঁহি মাৰি ক'লে, "হাজ্যৰ হওক—সি আমাৰ গাঁৱৰ—মানে—ক'বলৈ গ'লে আমাৰেই ল'ৰা। তাক তাৰ লেতেৰা স্বভাৱৰপৰা ঘূৰাই অনাৰ কিছুখিনি দায়িত্ব আমাৰো আছে? এইবোৰ ঘটনা হ'ল আমাৰ পৰিকল্পিত ঘটনা।"

ঠিক তেতিয়া কাষৰীয়া কোঠাটোৰপৰা কবিৰাজৰ বন্ধু ওলাই আহিল আৰু কবিৰাজক ক'লে, "সকলো এতিয়ালৈকে ঠিকঠাকে চলিল—আৰু হ'ল। পিছে—মোৰ ছোৱালীজনীক এতিয়া কি কৰা? তাইক তো কুঁৱাৰ ভিতৰতে পেলাই থ'ব নোৱাৰি পৰিকল্পনাত থকাৰ দৰে।"

কবিৰাজে হো হোকৈ হাঁহি মাৰি ক'লে, "শুনা, বৰুণ ল'ৰাটো কুসংগত পৰি যদিও অলপ বেয়া পথলৈ গৈছিল, তথাপি. অন্তৰত কিমান ভাল হৈ আছিল. তুমি নিজেই দেখিলা। তোমাৰ ছোৱালী জনীক বৰুণৰ ডিঙিতে আঁৰি দি এই ঘনটাৰ আঁৰপট পেলালে কেনে দেখা?"

ইতিমধ্যে তেতেলীজোপাৰ খোৰোঙৰপৰা সেই টকাৰ মোনাটোৰে সৈতে বৰুণ পুনৰ তাত সোমালহি আৰু কবিৰাজক ক'লে, "কবিৰাজ খুড়া. এয়া লওক সেই টকা। মই আজিৰপৰা আৰু কোনো অন্যায় কামত নাই, ন্যায়ৰ বাটেৰে বাট বুলিম। সেই বাটে গৈ যদি দুঃখকে পাওঁ, মানি ল'ম। তথাপি শ্ৰম কৰি আৰ্জিহে জীৱন কটাম।"

এই বুলি কৈ, ভীষণ ভীষ্ম প্ৰতিজ্ঞা লোৱাৰ পাছত, বৰুণে আটাইকেজনক সাষ্টাংগে প্ৰণাম কৰিলে। O



ভালে ভালক জাবৰে

কোনো এখন দেশত আছিল দুজন বুঢ়া, এজন ভাল এজন বেয়া। এদিন ভাল বুঢ়াই বেয়া বুঢ়াক ক'লে, "কালি ৰাতি এটা অদ্ভুত সপোন দেখিলোঁ। মোৰ ভাগ্য আকাশৰপৰা নামি আহিছে।"

"সঁচাকৈয়ে অদ্‌ভুত বা আধা-ভুতৰ কাৰবাৰ। কিয়নো—" বেয়া বুঢ়াই ক'লে, "ময়ো মোৰ সৌভাগ্যক মাটি ফালি ওলাই অহা দেখা পালোঁ।"

"ঠিক আছে — যাৰ ভাগ্যত যি, আমিনো কৰিম কি ?" ভাল বুঢ়াই বেয়া বুঢ়াক ভালৰি বোলালে।

কিছুদিনৰ অন্তত এদিন ভাল বুঢ়াই ক'লে, "আজিৰপৰা খেতিৰ কামত হাত দিব লাগিব।" এই বুলি কৈ, কোদাল এখনৰে মাটি খান্দি থাকিল। অলপ পাছত মাটিৰ তলত কলহ এটা পালে। পাই ভাল বুঢ়াই ভাবিলে: 'এই কলহটো নিশ্চয় সেই বুঢ়াৰ হ'ব। কিয়নো—তেওঁৰ সৌভাগ্যই মাটি ফালি ওলোৱা সপোন দেখিছিল তেওঁ'। এই কথা ভাবি ভাল বুঢ়াই বেয়া বুঢ়াক ক'লেগৈ, "হেৰা, তোমাৰ সপোন মোৰ মাটিত ফলিল। শুনা, মোৰ মাটি খান্দি এটা কলহ মাটিৰ তলৰপৰা পালোঁ। কলহটোৰ ভিতৰত ঠাহ খাই আছে সোণ ৰূপ মুকুতা হীৰা আৰু নানান মণি-মাণিক। তুমি তোমাৰ সৌভাগ্যৰূপী কলহটো লৈ আহাঁগৈ যোৱা।" এই বুলি কৈয়েই ভাল বুঢ়াই পুনৰ তেওঁৰ ঘৰলৈ খোজ ল'লে।

ঘৰ পাই ভাল বুঢ়াই তেওঁৰ বুঢ়ীক সকলো কথা সবিস্তাৰে ক'লে, শুনি বুঢ়ীয়ে

ভাল পাই ক'লে, "তুমি ভালেই কৰিলা, ধৰ্মমতে ন্যায় কামকে কৰিলা।"

ইতিমধ্যে বেয়া বুঢ়াই লৰি-ধাপৰি আহি কলটোৰ ঢাকনিখন গুচাই সোণ-ৰূপ মণি-মাণিকৰ সলনি কেৱল সাপ, বিছা আদিহে দেখা পাই উগ্ৰ খঙতে ভাবিলে ঃ ঠিক আছে অলপ ৰঃ, চাই থাক কি কৰোঁ। মোক যেনেকৈ ভাঁৰিলি, ময়ো তাৰ পোটক তুলিম। —এই কথা ভাবি, কলহটোৰে সৈতে বেয়া বুঢ়াই ভাল বুঢ়াৰ ঘৰ ওলালগৈ।

তিমানতে সাঁজ লাগি ভাগিছিলেই। বেয়া বুঢ়াই এটা কাউৰী-কুকুৰায়ো গম নোপোৱাকৈ সেই সাপ, বিছা আদিৰে ঠাহ খোৱা কলহটো ভাল বুঢ়াৰ ঘৰৰ এচুকত থৈ দিলে—যাতে এইবোৰ কলহৰ-পৰা ওলাই আহি ভাল বুঢ়াক খোটে।

ৰাতিপুৱা সাৰ পাই ভাল বুঢ়াই কলহ এটা ঘৰৰ এচুকত দেখি অবাক! তেওঁ তেওঁৰ বুঢ়ীক ক'লে, "দেখিলানে? মই মোৰ ভাগ্যক আকাশৰপৰা নামি অহা দেখা পাইছিলোঁ। এই কলহটো নিশ্চয় আকাশৰপৰা ইয়াত পৰিল। চাওঁচোন কি আছে?" ভাল বুঢ়াই কলহটোৰ ঢাকনিখন গুচাই কলহটোৰ ভিতৰত সোণ-ৰূপ মণি-মুকুতা হীৰা আৰু আন নানান বাখৰ ঠাহ খাই থকা দেখা পালে।

বেয়া বুঢ়াই যি ভাবিছিল, নহ'ল। পাছত যেতিয়া বেয়া বুঢ়াই ভাল বুঢ়াৰ ভাগ্যৰ কথাটো জানিলে, তেতিয়া ভাবিলে ঃ ভালে পায় ভালক জাবৰে পায় খালক — বচনষাৰ এনেয়ে হোৱা নাই। ভালৰ যি সোণ-ৰূপ বেয়াৰ সিয়েই সাপ-বিছা; ভাল কামৰ পুৰস্কাৰ, বেয়াৰ মৰণ সঁচা।

ভাল বুঢ়াই সেই সম্পদেৰে তেওঁৰ জীৱনৰ বাকী কালছোৱা বুঢ়ীৰে সৈতে সুখে-সন্তোষে কটাব পাৰিছিল। O

যুক্তিৰে মুক্তি

বৰলা ভাত খাই খাই আমনি পাই হালোৱা হৰকান্তই চালাক-চতুৰ চাই ভাত ৰন্ধা মানুহ এটাক মকৰল কৰিলে। ৰান্ধনি মানুহটোৰ ৰন্ধা-বঢ়া ভালেই, আচাৰ-ব্যবহাৰো বেয়া নহয়। আৰু খালী ৰন্ধা-বঢ়াতে তাৰ গুণৰ শেষ নহয়, অন্য কাম-বনতো সি পাৰ্গতেই। সি কেতিয়াও তলমূৰৰ বাহিৰে ওপৰ মূৰ নকৰে, আৰু তলৰ জিভা ওপৰ কৰাৰ স্বভাৱ তাৰ নায়েই।

এদিন অন্য এজন হালোৱাই হৰকান্তক দুটা আম খাবলৈ দিলে। হৰকান্তই তাৰ ৰান্ধনি মানুহটোক ক'লে, "ঐ মদন, আম দুটা কাটচোন। কাটি থ। মই এতিয়াই এঠাইৰপৰা ঘূৰি আহি খাম। আম খাই আন কামত আন এঠাইলৈ ওলাম।" এই বুলি কৈ হৰকান্ত কিবা কামলৈ ওলাল।

ৰান্ধনি মদনে আম দুটা ভালকৈ ধুই বঠীৰে টুকুৰা-টুকুৰাকৈ কাটিলে। কাটি—সি দুটামান টুকুৰা মুখত পেলাই চাকি চালে। আৰু এটুকুৰ-দুটুকুৰকৈ চাকি চাকিয়েই আধাখিনিমান আম খাই খাই শেষ কৰিলে।

তাৰ পাছত তাৰ মনত ভয় সোমাল: তাৰ গৰাকীক সি কি ক'ব? আমৰ তো ডেউকা নাই, উৰি যাব নোৱাৰে। আম কি হ'ল—বুলি সুধিলে ক'বনো কি? আম নোহোৱা হ'ল, চোৰে নিলে ইত্যাদিও ক'ব নোৱাৰি। দিন-পোহৰে ক'ৰনো আমচোৰ ওলাব? আম খোৱাত কৰি খবধৰ, সি বিমোৰতে পৰিল বৰ।

আৰু এইবোৰ কথা ভাবি থাকোঁতেই হৰকান্তই সাধু এজনক লগত লৈ ঘৰ

‘পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী’



পালেহি। সাধুক বাটত পাই, হৰকান্তই ভাবিছিল যে—ছুটা আম আছে, সাধুক এটা আম খুৱাই ফাওতে অলপ পুণ্য আৰ্জি ল'ব।

সাধুক আথে-বেথে খৰৰ বাৰান্দাতে বহুৱাই হৰকান্তই তাৰ ৰান্ধনিক ক'লে, “মদন ঐ, আম ছুটা কাটি থৈছনে? আধাখিনি আম আনি সাধু বাবাক এতিয়াই খাবলৈ দে।”

“কেনেকৈনো কাটিম? ভাল বঠী এখন নায়েই। ভোটা বঠীৰে আম কটা নেযায়। তেতিয়া আমখিনিকে অমিতা যেন লাগিব, খোৱাত বেয়া হ'ব, দেখাতে।”

“হয়নে? ঠিক আছে, দে বঠীখন। শিলত ঘঁহনি কেবাৰমান মাৰিলেই বঠীখন আম নালাগে—মানুহ কাটিব পৰাকৈ ধৰাল-চোকাল হ'ব। সাধুবাবাক লৈ আহিছোঁৰেই যেতিয়া, শুদাই গুচি যাবলৈ নিদিওঁ নহয়?” এই বুলি কৈ, বঠীখন লৈ, হৰকান্ত অলপ আঁতৰত থকা শান-শিল এটাত জোৰে জোৰে শান দিবলৈ ধৰিলে।

তেতিয়া মদনে সাধু বাবাৰ ওচৰত থিয় হৈ ইফালে-সিফালে চাই গুন-গুনকৈ সাধুক ক'লেহি, “প্ৰভু, আপুনি এগৰাকী সজ্জন সাধু হৈও যে কেনেকৈ এই শিয়ান মানুহটোৰ মুঠিত সোমাই পৰিল— !”

সাধুৱে আচৰিত হৈ মদনক সুধিলে, “কিয় কোৱাচোন— ?”

মদনে ক'লে, “চাওক বাবা, আপুনি কিন্তু কথাটো তাক নক'ব, তেনেহ'লে— আপোনাৰ সলনি মোকেই কাটি ছুটুকুৰা কৰিব। সেই মানুহটো দেখাত হালোৱা, আচলতে শক্তি-পূজাৰী। এওঁ কোনোবা সাধুক লগ পালেই ঘৰলৈ লৈ আহিব, ইটো-সিটো খুৱাব, আৰু তাৰ পাছত সেই সাধুৰ কাণ দুখন ঘচং ঘচংকৈ কাটি ল'ব আৰু কালী গোসাঁনীলৈ উছৰ্গা কৰিবগৈ। সেইয়া চাওকেইচোন — মৈদাখন সি ধৰাইছে কেনেকৈ চাওক,

আপুনিয়েই চাওকচোন বাৰু। মইনো আৰু বঢ়া কথা কি ক'ম, সিয়েই আচলতে আপোনাৰ জীয়া যম।

শুনি আৰু চাই সাধুৱে ভাবিলে: এই মদন বোলাটোৰ কথাই সঁচা। আৰু সাধুবাবাই তৎক্ষণাৎ তাৰপৰা মনে মনে ওলাই দৌৰি পলাই গ'ল।

অলপ পাছত ধৰাল বঠীখন হৰকান্তই মদনৰ হাতত দি ক'লে, "যা, জলদিকৈ আম কাটি লৈ আহগৈ যা।"

"কিনো কয়, সাধুবাবা ক'ত? তেওঁ দেখোন আম দুয়োটাকে লৈ দৌৰি গুচি গ'ল।" মদনে ক'লে।

"কি!" হতভম্ব হৰকান্তই আৰ্তনাদ কৰি উঠিল, "আম দুয়োটাকে লৈ গুচি গ'ল! আৰু তুমি কটাৰ পোৰে থিয়ৈ থিয়ৈ দেখি থাকিলা? হাঁ—?"

"মই আপোনাক চিয়ঁৰি চিয়ঁৰি কত মাতিলোঁ—আপুনি দেখোন মোলৈ মনেই নকৰিলে।" মদনে মৰিলে গাতে আঁটিব জীলে ভাতে আঁটিবকৈ হৰক ক'লে।

তিমানতে হৰকান্তই সাধুক বিচাৰি ওলালেই। সাধুক যেনেতেনে ধৰিবলৈ হালোৱা হৰকান্তই প্ৰাণপণে দৌৰি থাকিল। আৰু হৰকান্তক দৌৰি অহা দেখা পাই ভয়তে সাধুৰ ভগৰন্ত কঁপি উঠিল। সাধুৱে তেতিয়া মৰোঁ জীওঁকৈ দৌৰ লগালে।

হৰকান্তই হঠাৎ উজুটি খাই পৰিল। আৰু সেই ছেগতে সাধুবাবাজী হাবিৰ ভিতৰলৈ সোমাই পৰিল। সাধুৱে ভাবিলে: হাবিত যদি বাঘে খায়—খাওক। তথাপি কেখুতুৰমান আম খাবলৈ গৈ কাণকটাটো হৈ জীয়াই থাকিব নোৱাৰোঁ।

সাধুক ধৰিব নোৱাৰি হৰকান্ত হতাশ হ'ল। হৰকান্তই ধৰিব নোৱৰাত সাধুৱে ঈশ্বৰলৈ ধন্যবাদ জনালে। আৰু ৰসতে নাম থৈ ৰান্ধনি মদনে মনতে মুচুক্‌কৰে হাঁহি মাৰি তিনি জঁপ মৰিলে।

নগদ শিকনি

ৰামনাথ আছিল সৰু বেপাৰী এজন। তাৰ গাঁৱৰপৰা কেইক্ৰোশমান দূৰত সপ্তাহেপ্ৰতি এদিনকৈ হাট এখন বহিছিল। সেই হাটৰপৰা নানান বস্তু কিনি আনি ৰামনাথ বেপাৰীয়ে নিজৰ গাঁৱত বেচিছিল। বেপাৰী হ'লেও ৰামনাথ আছিল গাঁৱৰ ৰাইজৰ সহায়কাৰী। ৰামনাথক সকলোৱে ভাল পাইছিল।

এবাৰ গৰুৰ গাড়ী নাপাই ৰামনাথে খোজ কাঢ়ি হাটলৈ গৈ থাকিল। গৈ গৈ এসময়ত তাৰ ভাগৰ লাগিল আৰু জিৰণি ল'বৰ মনেৰে সি এজোপা গছৰ তলত বহিল।

সেই বাটেদি গৈ থকা বাটৰুৱা এজনে ৰামনাথক কিয় বহি আছে বুলি সোধাত ৰামনাথে ক'লে, "হাটলৈ বুলি ওলাইছোঁ। ভাগৰি পৰাত অলপ জিৰণি লৈছোঁ।"

বাটৰুৱাই তাৰ মূৰত থকা পাচিটো তাত নমাই থ'লে আৰু ৰামনাথৰ ভৰিৰপৰা মূৰলৈ চাই লৈ ক'লে, "মোৰ নাম গুৰুদাস। তুমিও বেপাৰী, ময়ো। তুমি কিনিবলৈ হাটলৈ গৈছা, মই বেচিবলৈ। তোমাৰে-মোৰে পাৰ্থক্য ইমানেই।"

ৰামনাথে ক'লে, "নহয়। পাৰ্থক্য আৰু বহু আছে। তুমি যুৱক, মই সোঁ বয়সীয়া। তোমাৰ মূৰত বোজা, মোৰ নাছিল। বোজা থকা সত্বেও তুমি স্বাভৱিক ভাৱে বাট বুলিছা, আৰু একো নথকা সত্বেও মই ভাগৰি পৰি জিৰণি লৈছোঁ।"

গুৰুদাসে ক'লে, "এনে মাজ-বয়সতে নিজে নগৈ হাটলৈ আন কাৰোবাক পঠাব পাৰা দেখোন। তোমাৰ কৰ্মচাৰী নাইনে

নৱনীতা চৌধুৰী



কোনোবা ? এতিয়াৰপৰা তাক পঠাবা।"

"আছে, কিন্তু তেতিয়া লাভৰ গুৰ পকুৱাইহে নাখাবনে ? আনৰ যোগে ধন—নহয় উপাৰ্জন।" ৰামনাথে ক'লে, "আনে অনা ধন বানে অনা খুটাৰ দৰে উটি যাব।"

"অ' তাৰ মানে বিশ্বাসী মানুহ তোমাৰ নায়েই।" গুৰুদাসে ক'লে।

"কথাটো হওঁতে—সঁচা। মই কাকো বিশ্বাস নকৰোঁ। আনক বিশ্বাস কৰা আৰু ভাগ্যৰ ওপৰত ৰের মৰা একেই কথা। শকতি আছে যাৰ, ভাগ্য কেৱল তাৰ।" ৰামনাথে হাঁহি হাঁহি ক'লে।

হাত চাপৰি বজাই গুৰুদাসে ক'লে, "লাখ কথাৰ এক কথা! তুমি—বাস্তৱিকতে অভিজ্ঞ মানুহ। তুমি-তামাকৈ কোৱাত বেয়া পাইছানে কি ? বেয়া নাপাবা। আপোনাহেন ভাবিহে তুমি-তামাকৈ কৈছোঁ। লাগিলে মই তোমাৰ ভৰিকে পিটিকি দিম। তুমি মোতকৈ বয়সতো, আৰু বুদ্ধিতো ঢেৰ ঢেৰ ডাঙৰ। তোমাৰ ভৰি পিটিকিলেও মোৰ ভাল হ'ব।"

এই বুলি কৈয়েই গুৰুদাসে ৰামনাথৰ ভৰিত ধৰিবলৈ লওঁতেই ৰামনাথে তাৰ ভৰি দুখন কোঁচাই আনিলে আৰু ক'লে, "মোৰ ভৰি পিটিকি দিব নালাগে। অলপ জিৰণি ল'লেই ভৰিৰ বিষ নোহোৱা হ'ব।"

"ভয় নকৰিবা। ভৰি পিটিকি তাৰ সলনি তোমাৰপৰা মই একো খুজিব লওঁ-নিবিচাৰোঁ। পৰক আপোন বুলি ভবাটো মোৰ স্বভাৱ।" এই বুলি কৈয়েই গুৰুদাসে ৰামনাথৰ ভৰি পিটিকি থাকিল।

ৰামনাথ আছিল খুবেই ক্লান্ত। লাহে লাহে গুৰুদাসে যেতিয়া ৰামনাথৰ ভৰি এৰি মূৰত ধৰিলে, আৰু তাৰ পাছত পিঠিত পিটিকি থাকিল, আৰু তেতিয়া ৰামনাথ ক'ব নোৱাৰাকৈয়েই টোপনিৰ জালত পৰিল। আৰু তাৰ পাছত ছেগ বুজি উপকাৰী গুৰুদাস তাৰপৰা গুচি গ'ল।

গুৰুদাস যেতিয়া গুচি গ'ল, তাৰ অলপ পাছত ৰামনাথে সাৰ পালে। আৰু সাৰ পায়েই সি তাৰ টকাৰ সৰু মোনাটো নোহোৱা হোৱা দেখি গুৰুদাসক হাতে-লুটে ধৰিবলৈ দৌৰ লগালে।

গুৰুদাসে কিন্তু ৰামনাথক দৌৰি যোৱা দেখা পায়ো নদমিল। ৰামনাথে তাক হাতৰ মুঠিত পায়েই টেঁটুত টিপা মাৰি ধৰি ক'লে, "হেই বদমাছ ক'ৰবাৰ! মোৰ টকাৰ মোনা লৈ পলাইছ তই!"

"ৰ'—বা।" গুৰুদাসে ৰামনাথৰ টকাৰ মোনাটো ঘূৰাই দি ক'লে, "ইমান ব্যস্ত নহঁ'বাচোন। এয়া তোমাৰ টকা, আৰু তোমাৰ মোনা। হেঁা, লোৱা।"

ৰামনাথে টকাখিনি গন্তি কৰি চালে। এটা এপইচাৰো ইফাল-সিফাল হোৱা নাই। সি অবাক মানি গুৰুদাসক সুধিলে, "তেনেহ'লে তুমি বাৰু—টকাৰ মোনাটো কিয় নিছিলা? টকাখিনি লোৱাত কি উদ্দেশ্য আছিলনো তোমাৰ ক'বানে মোক?"

"আন একো উদ্দেশ্য নাছিল। জগতত একেবাৰে অচিনাকি মানুহকো যে কেতিয়াবা কেতিয়াবা বিশ্বাস কৰিব লাগে—এতিয়া বুজিলানে?" গুৰুদাসে ক'লে।

ৰামনাথে মুৰ দুপিয়াই গুৰুদাসৰ কথালৈ সমৰ্থন জনালে।

গুৰুদাসে পুনৰ ক'লে, "এতিয়া ব'লা, আমি দুয়ো একেলগে হাটলৈ যাওঁ। দুনীয়াখনৰ সকলোকে চোৰ বুলি ভবাৰ কোনো কাৰণ নাই। আৰু—চুৰি কৰাৰ বা অবিশ্বাসৰ কাম কিবা কৰাৰ আগলৈকে যিকোনো মানুহকে বিশ্বাসী বুলি ভাবিবই লাগিব। আনক বিশ্বাস নকৰিলে নিজেও বিশ্বাস নোপোৱা—এইটি সাৰুৱা কথা সদায় মনত ৰাখিবা।"

ৰামনাথে নিজৰ ভুল বুজি পাই গুৰু গুৰুদাসক ক'লে, "অহা সপ্তাৰপৰা মই মোৰ কৰ্মচাৰীজনকে হাটলৈ পঠাম।"



পাফাৰৰ ফাপৰত... !

জাপানদেশৰ জনসাধাৰণৰ আটাইতকৈ প্ৰিয় মাছ হ'ল পাফাৰ মাছ। এই পাফাৰ মাছ হ'ল পৃথিৱীৰ আটাইতকৈ বিষাক্ত মাছ। এই বিষাক্ত মাছৰ বিষখিনি বাদ দি ৰান্ধিব পৰা ৰান্ধনি মানুহৰ জাপানৰ ৰেস্তুৰঁবিলাকত ইমান যে আদৰ কিমান যে কদৰ! আৰু তথাপি— জাপানৰ খাদ্যত সৰ্বাধিক পৰিমাণে বিষক্ৰিয়া এই পাফাৰ মাছৰেপৰাই হয়!

দিন-কণা নহয়

দিন-কণী ৩০০০০

উঁই পৰুৱাৰ ৰাণীয়ে দিনে ৩০,০০০ কণী দিয়ে। এই হিচাপ মতে ৰাণীয়ে তেওঁৰ জীৱনত মুঠেই পঞ্চাছ হেজাৰ কৌটিটি সন্তান-সন্ততি ফুকায়!

ছাহাৰা মৰুভূমিৰ একোটা বালিৰ পাহাৰৰ উচ্চতা হ'ল ১৪১০ ফুট (৪৩০ মিটাৰ) আৰু এই বালিৰ পাহাৰবিলাক দীঘলে প্ৰায় ৩ মাইল (৫ কিল'মিটাৰ)!

অতিকে' মৰমৰ এই উপহাৰ
দিয়েনে কি ভাবি চাওক
প্ৰৱজুৱা হৈ থকা আপোনাৰ
চেনেহৰজনে পাওক

চান্দমামা

তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক

অসমীয়া, বাংলা, ইংলিছ, গুজৰাটি, হিন্দী, কন্নড়, মালায়ালম্, মৰাঠী, ওড়িয়া, সংস্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক

বছৰেকীয়া বৰঙণি :

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৭৫'০০ টকা * উৰা-জাহাজ যোগে ১৫০'০০ টকা

ফ্ৰান্স, ছিংগাপুৰ, ইংলেণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮১'০০ টকা * উৰা-জাহাজ যোগে ১৫০'০০ টকা

টকা-পইচা
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ
কেৱল ডিমাণ্ড ড্ৰাফট নাইবা মনিঅৰ্ডাৰ যোগে তলৰ ঠিকনালৈ পঠাব :

ছাকুলেশ্যন মেনেজাৰ
চান্দমামা পাবলিকেশ্যনছ
চান্দমামা বিল্ডিংছ
বড়াপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৯ চনৰ মে' সংখ্যাত প্ৰকাশিত হ'ব

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৮৯ চনৰ মাৰ্চ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৮ চনৰ জানুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : জাঁপ

দ্বিতীয় ফটো : ৰাপ

পুৰস্কাৰ প্ৰাপক : নাইনা বৰুৱা, কাযৰি গাঁও মজলীয়া বিদ্যালয়. পুৰণিগুদাম, নগাঁও।
[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা
ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :
DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI,
MADRAS-600 026
নাইবা
Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Statement about ownership of CHANDAMAMA (Assamese)
Rule 8 (Form VI), Newspapers (Central) Rules, 1956

1. *Place of Publication*	'CHANDAMAMA BUILDINGS' 188, N.S.K. Salai Vadapalani, Madras-600 026
2. *Periodicity of Publication*	MONTHLY 1st of each calendar month
3. *Printer's Name*	B. V. REDDI
Nationality	INDIAN
Address	Prasad Process Private Limited 188, N.S.K. Salai Vadapalani, Madras-600 026
4. *Publisher's Name*	B. VISWANATHA REDDI
Nationality	INDIAN
Address	Chandamama Publications 188, N.S.K. Salai Vadapalani, Madras-600 026
5. *Editor's Name*	B. NAGI REDDI
Nationality	INDIAN
Address	'Chandamama Buildings' 188, N.S.K. Salai Vadapalani, Madras-600 026
6. *Name and Address of individuals who own the paper*	CHANDAMAMA PUBLICATIONS PARTNERS: 1. B. VENKATRAMA REDDY 2. B. V. SANJAY REDDY 3. B. V. NARESH REDDY 4. B. PADMAVATHI 5. B. VASUNDHARA 6. B. V. SHARATH REDDY 7. B. N. RAJESH 8. B. L. ARCHANA (Minor) 9. B. L. ARADHANA (Minor) (Minors admitted to the benefits of Partnership) 'Chandamama Buildings' 188, N.S.K. Salai Vadapalani, Madras-600 026

I, B. Viswanatha Reddi, hereby declare that the particulars given above are true to the best of my knowledge and belief.

B. VISWANATHA REDDI
Signature of the Publisher

1st March 1989

No share prices,
no political fortunes, yet...

Over 40% of Heritage readers are professionals or executives, 61% from households with a professional / executive as the chief wage earner. Half hold a postgraduate degree or a professional diploma.

– from an IMRB survey conducted in Oct 1986

It's an unusual magazine. It has a vision for today and tomorrow.
It features ancient cities and contemporary fiction, culture and scientific developments, instead of filmstar interviews and political gossip. And it has found a growing readership, an IMRB survey reveals. Professionals, executives and their families are reading The Heritage in depth – 40% from cover to cover, 42% more than half the magazine.
More than 80% of The Heritage readers are reading an issue more than once.
And over 90% are slowly building their own Heritage collection.
Isn't it time you discovered why?

THE HERITAGE

CMR-2155

So much in store, month after month.

CHANDAMAMA (Assamese) MARCH 1989 Regd. No. TN/MS (S)/87